


Scanned with OKEN Scanner


উৎসৰ্গ

# শিপা

হাতে লিখা আলোচনী
অসমীয়া বিভাগ
শিৱসাগৰ ছোৱালী কলেজ
২০১৭ বৰ্ষ ।

# উৎসৰ্গা

যিসকলৰ কেঁচা তেজে আঁকিছে ১৯৬৪ চনৰ শিৱসাগৰ ছোৱালী কলেজৰ বৰ্ণিল কেনভাছ সেই সকল জ্ঞান পিপাসু ব্যক্তিৰ আঙুলিৰ পৰশত এই কলেজে প্ৰাণ পাই উঠি প্ৰতিভাৰ ধ্বজা উৰুৱাবলৈ সক্ষম হৈছে। সেইসকল জ্ঞানৰ আলোকেৰে আলোকিত কৰি শ্ৰদ্ধাৰ প্ৰাক্তন আৰু বৰ্তমান শিক্ষাগুৰুসকলৰ বাবে অসমীয়া বিভাগৰ হাতে লিখা আলোচনী 'পিপাৰ পঞ্চম সংখ্যাটিৰ প্ৰতিটো পৃষ্ঠা শ্ৰদ্ধাৰে উৎসৰ্গিত কৰা হ'ল।



Scanned with OKEN Scanner

# শুভেচ্ছাবাণী

আমাৰ কলেজৰ আলোচনী বিভাগৰ দ্বাৰা আজি কিছুবছৰ ধৰি বাৰ্ষিক ৰূপত এখনি হস্তলিখা আলোচনী প্ৰকাশ পাই আহা সকলোৰে মনত এক গভীৰ প্ৰশান্তিৰ সৃষ্টি কৰিছে। ছাত্ৰীসকলৰ এই প্ৰচেষ্টা সৰ্বদিশে সৰ্বতোভাৱে প্ৰশংসনীয় আৰু অনুকৰণীয়।

মানুহৰ মনত সুপ্ত অৱস্থাত থকা প্ৰতিভাসমূহ বিভিন্ন মাধ্যমেৰে প্ৰকাশ কৰাৰ সুবিধা আছে; আলোচনী তাৰে এটা উল্লেখযোগ্য মাধ্যম। নিজেনিজ কলম অনুযায়ী হাতেৰে হ'লে লিখিত ভাৱে প্ৰকাশ কৰাটোৱেই অতি উত্তম পন্থা। আলোচনীখনত প্ৰকাশ পোৱা লিখনি সমূহ সাহিত্যৰ পথাৰত কৰ্ষণ আৰম্ভ কৰা ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ আৰম্ভণি বুলি সহৃদয় পাঠক সমাজে ভুল-ত্ৰুটিবোৰ কিছু পৰিমাণে উপেক্ষা কৰি... ভৱিষ্যতৰ দিহা পৰামৰ্শৰে আগবঢ়াব বুলি আশা কৰিলোঁ। ছাত্ৰীসকলৰ এই সৃজনীমূলক প্ৰচেষ্টা অব্যাহত থাকক তাৰে কামনাৰে

# সম্পাদকীয় মেজৰ পৰা

শিল্প কলাৰ অন্যতম ৰূপ হ'ল সাহিত্য; যি সহজতে প্ৰসাৰিত হ'ব পাৰে হৃদয়ৰ পৰা হৃদয়লৈ ..... । সাহিত্য হ'ল বহুসময়ত লেখকৰ অভিজ্ঞতাৰ অনন্য ৰূপ । চিত্তবৃত্তি সহৃদয়তাৰ বশত ৰসোপলব্ধিৰ ঐক্যৰ অনুভৱ কৰা হয় কাৰণ সাহিত্যৰ জগত ৰসৰ জগত, ভবৰ জগত আৰু ই কিছুপৰিমাণে অলৌকিক । গতিকে ই পৰিমিত বোধৰ দ্বাৰা পৰিচ্ছিন্ন নহয় । সাহিত্যিকৰ অনুভূতি উপলব্ধিৰ লগত সহৃদয় পাঠকে নিজ অনুভূতি উপলব্ধিৰ অভেদত্ব অনুভৱ কৰে । সাহিত্যিকৰ উপলব্ধি জীৱনবোধ পাঠকৰ জীৱনৰ নিগূঢ়তম গভীৰতাত বিলীন হৈ এক হৈ যায় ।

আধুনিক যুগত সাহিত্যৰ বিকাশ সাধনত আলোচনীয়ে বিশেষ বৰঙণি যোগাই আহিছে । আধুনিক অসমীয়া ভাষা আৰু সাহিত্যও প্ৰথম অসমীয়া আলোচনী অৰুণোদয়ৰ পাততে গঢ় লৈবলৈ আৰম্ভ কৰে । তাৰ পিছতে বাঁহী, জোনাকী, আবাহন, জয়ন্তী; ৰামধেনু আদি আলোচনীয়ে অসমীয়া সাহিত্যৰ বুৰঞ্জীত একো একোটা যুগৰ সৃষ্টি কৰি গৈছে । সেই বাবেই হয়তো অসমীয়া সাহিত্যৰ বুৰঞ্জী লেখকসকলে আলোচনীক ভিত্তি কৰিয়েই অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ বিভিন্ন যুগ নিৰ্ধাৰণ কৰি গৈছে । প্ৰকৃতাৰ্থত আধুনিক অসমীয়া সাহিত্যৰ ক্ৰমবিকাশৰ বুৰঞ্জী অসমীয়া আলোচনীৰে

Scanned with OKEN Scanner

বুৰঞ্জী বুলিব পাৰি ।

আধুনিক অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে কাকত আলোচনীবোৰে ভাষা সাহিত্য সংস্কৃতি ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায় । সমাজে আধুনিকতাৰ সাজ পিন্ধাৰ লগে লগে এই সাহিত্য সংস্কৃতিয়েও আধুনিকতাৰ সাজ পিন্ধাত ব্যস্ত হৈ পাৰিল । ক্ৰমশঃ দশম শতিকাৰ পৰা শিলালিপি, তাম্ৰলিপি, সাঁচিপতীয়া লিপি সাহিত্যৰ স্থানত ছপা আৰু বৈদ্যুতিক সাহিত্যই গুৰুত্ব বৃদ্ধি পাইছে।

ছপা সাহিত্যৰ প্ৰয়োজনীয়তাৰ দৰে হাতে লিখা সাহিত্য আলোচনী বৰ্তমানত প্ৰয়োজনীয়তাৰ গুৰুত্ব বাঢ়িছে। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ আবেগ, অনুভূতি, প্ৰতিভা বিকশিত কৰা এখন মঞ্চ হৈছে হাতে লিখা আলোচনী। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ হাতে লিখা আলোচনী অসমীয়া বিভাগৰ কুঞ্জাক্ষ, আন আন বিভাগৰ প্ৰতীতি, এক্ৰেকেভেৰ, সাংখ্যিকী 'Grey Matter' আদিয়ে যিদৰে প্ৰতিভাবান শিক্ষাৰ্থীৰ সোণালী যাত্ৰাৰ সোণৰ সাঁকোৰ স্বৰূপ বহণ কৰিছে ঠিক তেনেদৰে শিৱসাগৰ ছোৱালী কলেজৰ অসমীয়া বিভাগৰ "শিপাই" শিক্ষাৰ্থীৰ জীৱনত সোণালী সাঁকোৰ লগতে একপ্ৰৰ এনাজৰীৰে

বণ্ডুত্ব জীয়াই ৰখাত সহায় কৰিছে ।

"শিপাৰ সহায়ত শিক্ষাৰ্থী জীৱনত এক নতুন স্বপ্নৰ বাট মোকলাই তুলিছে । শিপাক জীৱন দিয়াৰ ক্ষেত্ৰত শিক্ষাৰ্থীক যি অভিজ্ঞতাই স্পৰ্শ কৰিলে এই স্পৰ্শই এজোপা গছক ধৰি ৰখাত সহায় কৰিব ॥

সুমন গগৈ ।

# শিপাৰ আঁৰত

উপদেষ্টা :- অসমীয়া বিভাগৰ সমূহ শিক্ষাগুৰু

সম্পাদনা :- সুমন গগৈ

সহঃ সম্পাদনা :- ভাগ্যশ্ৰী গগৈ

বেটুপাত :- লক্ষ্মীপ্ৰিয়া বৰুৱা

অলংকৰণ :- লক্ষ্মীপ্ৰিয়া বৰুৱা


অনুলিখন :- আইমুনা চুলতানা, সুমন গগৈ, ভাগ্যশ্ৰী গগৈ, জেউতী গগৈ বন্দীতা বুঢ়াগোহাঁই, পাপী গগৈ দেৱিকা বুঢ়াগোহাঁই, কৰবী নেওগ ইন্দুশ্ৰী বৰদলৈ, পিংকি অধিকাৰী

সদস্যা :- বিজয়াৰতী চুংক্ৰাং, ভাগ্যশ্ৰী হাজৰিকা, মঞ্জী বেগম, মায়াশ্ৰী মহন্ত, সুনমী শইকীয়া, লীনা বৰুৱা, ৰূপালি লাহন

কৃতজ্ঞতা :- যিসকলৰ মহান প্ৰচেষ্টাত শিপাই দিন ধৰি উঠিল তেওঁলোক সকলোলৈকে ...

Scanned with OKEN Scanner


# শিপাৰ পাতে পাতে



## অনুক্ৰমণিকা


| | পৃষ্ঠা |
|---|---|
| ১। প্ৰবন্ধৰ গুচ্ছ | ০১-৪৪ |
| ২। গল্পৰ চয়নিকা | ৪৫-৫৯ |
| ৩। অনুভৱৰ সোঁৱৰণি | ৬০-৬৩ |
| ৪। কবিতাৰ কানন | ৬৪-৮৬ |
| ৫। মহৎলোকৰ বাণী | ৮৭-৮৯ |
| ৬। কুইজ | ৯০-৯১ |
| ৭। জানিবলগীয়া কথা | ৯২-৯৩ |
| ৮। বন্ধন প্ৰণালী | ৯৪-৯৫ |
| ৯। কৌতুক | ৯৬ |

# প্ৰবন্ধাৰ গুচ্ছ ......




মনৰ নিভৃত কোণৰ ভাৱনাৰ মাজত খু-টুৱাই থকা কথাবোৰক বাস্তৱত কাগজৰ পাতত সুকাহি কৰিবলৈ জীৱনৰ কিছুমান বাস্তৱ প্ৰতিচ্ছবি জিলিকি উঠে । ......

য'ত ভৱিষ্যতৰ পাখিলগা বীজে জীৱনক নতুন দৃষ্টিৰে চোৱা আনন্দীয় আবেগ অনুভূতি কঢ়িয়াই আনে জ্ঞান আৰু আনন্দৰ মাজেদি .......

এই জ্ঞানৰ মাজতে বিচাৰি পাম নিজক আৰু সমাজক ।

# চ্যুকাফাই আৰম্ভ কৰা অসমীয়া জাতি গঠন প্ৰক্ৰিয়ালৈ বৰ্তমানৰ প্ৰত্যাহ্বান



মহামিলনৰ পূণ্যক্ষেত্ৰ অসমলৈ বিভিন্ন সময়ত বিভিন্ন কাৰণত অহা অনেক সৰু বৰ জাতি উপজাতিৰ সংমিশ্ৰণত ক্ৰমে গঢ় লৈ উঠা সমাজখনেই হ'ল বৃহৎ অসমীয়া সমাজ।

ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা এই সকলোকে আকোঁৱালি লৈ কোনে কেতিয়া কৰপৰা আৰু কিয় আহিছিল তাক পাহৰাই পেলালে। একেখন আকাশৰ তলত থাকি, একে বায়ু, পানী সেৱন কৰি সকলো ভিন্নতা পাহৰি পৰিশেষত পৰস্পৰক আকোঁৱালি লৈ অনৈক্যৰ মাজত ঐক্য প্ৰতিষ্ঠা কৰিলে। ইতিহাস খুচৰিলে দেখা যায় যে আহোম স্বৰ্গদেউ সকলে শতধাত মাৰি একৰাজ্য প্ৰতিষ্ঠা কৰি ৰাজনৈতিকভাৱে এখন বৃহৎ অসমৰ ভৌগলিক পৰিসীমা নিৰ্মাণ কৰিলে। প্ৰকৃত পক্ষে অসমীয়া জাতি আৰু সংস্কৃতি গঠনৰ প্ৰথমজন উদ্যোক্তা আছিল স্বৰ্গদেউ চাওলুং চ্যুকাফা। ১২২৮ খ্ৰীঃ তঃ আহোম ৰাজ্য প্ৰতিষ্ঠা আৰু ১২৫৩ খ্ৰীষ্টাব্দত চৰাইদেউত স্থায়ী ৰাজধানী স্থাপন কৰি সমন্বয় আৰু সংমিশ্ৰণেৰে বিশাল অসমীয়া সংস্কৃতিৰ লাইখুঁটা প্ৰতিষ্ঠা কৰিলে আৰু নিৰবিচ্ছিন্ন ভাৱে আহোম স্বৰ্গদেউসকলে অসমত ৬০০ বছৰ ৰাজত্ব কৰাৰ পথ সুচল কৰি থৈ গ'ল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সকলোৰে বুজিব পৰাকৈ

এটা সহজ সৰল ভাষা দিলে যি অসমীয়া মানুহৰ বৌদ্ধিক চিন্তাৰ উৎকৰ্ষ সাধনৰ পথ মুকলি কৰিলে। স্বৰ্গদেউ প্ৰতাপ সিংহই ৰজা আৰু প্ৰজাৰ ভাষা এক কৰি অসমীয়া ভাষাক স্বীকৃতি প্ৰদান কৰাত সকলো জনগোষ্ঠীয়ে অসমীয়া ভাষা সাহিত্য আৰু কলা কৃষ্টিক নিজৰ হিয়াৰ আমঠু হিচাপে আকোঁৱালি লবলৈ প্ৰেৰণা দিলে। শৰাইঘাটৰ ৰণে অসমীয়া জাতিক সোঁৱৰাই দিলে যে – " মাউতে বান্ধিলে গুৰি পখুৰাবো স্মৰণ নাই।" যিটো অসমীয়া জাতিৰ সংকট কালৰ আমোঘ মন্ত্ৰ হৈ পৰিল। দেশৰ স্বাধীনতা আন্দোলনত অসমীয়া জাতিয়ে নিজৰ একত্ব প্ৰকট কৰি গান্ধীজীৰ " কৰিম কিম্বা মৰিম" মহামন্ত্ৰেৰে দীক্ষিত হৈ জাতীয় জীৱনক অধিক শক্তিশালী আৰু মহামণ্ডিত কৰি তুলিছিল।

কিন্তু দুৰ্ভাগ্যবশতঃ অবিৰত গতিত ধাৱমান হোৱা জাতি গঠন প্ৰক্ৰিয়াটো স্থবিৰ হোৱাৰ উপক্ৰম হৈছে। দয়া, ক্ষমা, প্ৰেম অহিংসা আৰু ভাতৃত্ববোধৰ পৰিবৰ্তে হিংসা বিদ্বেষ আৰু সন্ত্ৰাসে জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। অনেকজন কৰ্মযোগীৰ ত্যাগ আৰু অক্লান্ত তুচ্ছ সাধন আৰু সুদীৰ্ঘ কালৰ বিৱৰ্তনৰ আৰু মাজেদি তিল তিলকৈ গঢ় লৈ উঠা অসমীয়া জাতি গঠন প্ৰক্ৰিয়াটো আজি অস্থিৰ আৰু থৰক-বৰক হৈ পৰিছে। শান্তিৰ সৌধ নিৰ্মাণ

সৃষ্টি কৰা আৰ্থ সামাজিক সমস্যা আৰু নৃগোষ্ঠীয় পৰিচয়ৰ প্ৰতি ভাবুকিত সচেতন হৈ অবৈধ বিদেশী বহিষ্কাৰ আন্দোলন আৰম্ভ হ'ল আৰু অসম চুক্তিৰ মোৰ্হেদি জন্ম লভিলে। অসম আন্দোলনৰ সময়ত জয়লাভ কৰা আঞ্চলিক শক্তি বাহিনী, অসমৰ বাকী নৃ গোষ্ঠীবোৰক সমস্যা পন্থাৰ প্ৰতি বিমাতৃ হলে উদাহৰণ যোগালে।

অসমত বৰ্তমান বিবাদ কৰা সৌহাৰ্দ্যজনক পৰি- স্থিতি অধিক পলম নকৰি আলোচনামুখী চিন্তাসমূহ চিনাক্ত কৰি ইয়াৰ সুফলাবিলাক নিয়ামিতকৈ নিপালকৈ বন্ধ কৰিব লাগে। নহলে বৰ অসমৰ অস্তিত্ব নামানো এখন ক্ষুদ্ৰ অসমখনো অৱশেষ নহ'বলৈ আৰু অসমীয়া জাতিও এটা নিশকটীয়া জাতি হিচাপে পৰিগণিত হ'ব। প্ৰসংগত উল্লেখ্য যে এনে এক পৰিস্থিতিতে ত্ৰিপুৰাত ত্ৰিপুৰীসকলৰ জাতীয় সত্তা বৰ্তমানে বিলুপ্ত পায়। প্ৰতিস্থানে পাৰা দুৰদৃষ্টিক বিকৃত নকৰি সত্য ঘটনাবোৰ নিৰপেক্ষভাৱে প্ৰকাশ কৰি জনগোষ্ঠীসমূহৰ জনজীৱনক সামৰি লব লাগে।

বৰ্তমান অৱস্থাৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে প্ৰথমে অসমখনে বহিঃদেশীয় আৰু আন্তঃদেশীয় বহিৰাগতৰ

কৰিবলৈ মুষ্টি লোকসকলক যুগ যুগ ধৰি সাধনাক প্ৰকৃতিকাষৈৰ ভেঁটা তুলি ধ্বংস কৰাৰ উপক্ৰম কৰিছে। হিংসা আৰু বিদ্বেষৰ প্ৰতিহিংসাত প্ৰজ্বলিত হোৱা স্ফুলিংগই সমগ্ৰ অসমীয়া মানৱ সমাজক ভাতৃঘাতি ৰণৰ কচুৰৎ কৰিছে আৰু নৰমেধ যজ্ঞৰ পাতনি মেলিছে। ভয়, সন্দেহ আৰু অন্ধবিশ্বাসৰ গ্ৰাসত পৰা সমাজখনে বৰ্তমানে কেৱল হতাশা আৰু গম্ভীৰ অনিশ্চয়তা দেখা পাইছে।

বৰ্তমান জনগোষ্ঠীসমূহৰ মাজত গঢ় লৈ উঠা আত্ম নিয়ন্ত্ৰণৰ আন্দোলনো শ্ৰেণী সংগ্ৰামৰ পৰিণাম। উজনিমনা আহোম স্বৰ্গদেউসকলৰ শাসন ১৮২৫ চনলৈকে চলি থকাৰ পৰৱৰ্তী কালত গঢ় লৈ উঠা সৰ্থ বিত্তীয় ধন বাৰণাই সমাজত শ্ৰেণী বৈষম্য অধিক প্ৰবল কৰি তুলিছিল। পৰৱৰ্তী কালত ব্ৰিটিছৰ বিভাজন আৰু শাসন নীতি তথা উগ্ৰ সাম্প্ৰদায়িক ৰাজনীতিয়ে ইয়াক অধিক সাৰপানী যোগালে। অসমত জাতি বৰ্ণবাদ আৰু অস্পৃশ্যতাৰ প্ৰবক্তা সৰ্বৰ্থ শ্ৰেণী আৰু ইয়াৰ অনুষ্ঠান সমূহে লোৱা বৰ্ণবৈষম্য আৰু শোষণে আজিৰ এই অৱস্থাত উপনীত কৰাইছে। ইয়াওপৰি সন্ধিৰ পাছৰে পৰা অসমলৈ অহা পূৰ্ববংগীয় পমুৱা মুছলমান কৃষকৰ প্ৰব্ৰজন


ব্যাপক প্ৰব্ৰজন বন্ধ হ'ব লাগিব। ৰাজ্যখনৰ ক্ষিপ্ৰ ঔদ্যোগিক বিকাশে থলুৱা লোকক আৰ্থিক নিৰাপত্তা প্ৰদান কৰিব লাগিব। প্ৰব্ৰজনে সৃষ্টি কৰা অৰ্থনৈতিক ৰাজনৈতিক আৰু সামাজিক প্ৰতিবন্ধকতা দূৰ কৰাৰ কাৰণে সমগ্ৰ ৰাজ্যখনকে জনজাতীয় ৰাজ্যৰ মৰ্যদা দি আন্তঃৰাজ্যিক প-পত্ৰৰ ব্যৱস্থা কৰিলে সু-ফল পোৱা যাব। ৰাজ্যখনৰ থলুৱা জাতি জনগোষ্ঠীসমূহৰ সাংস্কৃতিক উপাদানসমূহ ৰক্ষণাবেক্ষণ, উৎকৰ্ষ, প্ৰধান-প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ ভাষা, "ৰাজনৈতিক দলে এটা জাতি বা দেশক গঠন কৰে, তাত প্ৰাণৰ প্ৰতিষ্ঠা কৰিব নোৱাৰে। প্ৰাণ প্ৰতিষ্ঠা কৰে শিল্পীয়ে। গতিকে ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰলৈ আৰু ঐক্য সংহতিলৈ অৱদান আগবঢ়োৱা যোৱা স্বনামধন্য ব্যক্তি স্বৰ্গদেউ চুকাফা, প্ৰতাপ সিংহ, শিৱসিংহ, বৰাহী ৰজা মহামাণিক্য, শ্ৰীমন্ত শংকৰদেৱ, মহাৰাজ নৰনাৰায়ণ মহাবীৰ চিলাৰায় আৰু লাচিত বৰফুকন, বিষ্ণুপ্ৰসাদ ৰাভা জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰে ব্যক্তিৰ নাম ললে সঠিক মূল্যায়ন হ'ব আৰু তেওঁসকলৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ অসমীয়া জাতিক পুনৰ সবল আৰু আত্মপ্ৰতিষ্ঠিত জাতি হিচাপে প্ৰাণ সঞ্চাৰ কৰিব লাগে। কোনো এটা মুক্ত

সোনী বা আমাৰ জীৱনে অৱশেষে এই কাম কৰিব যোগাবে। সকলোকে সম্পূৰ্ণ প্ৰতিযোগীতা আৰু ঐতিহ্যিক প্ৰশৈবতেই ই সমাপ্তাম হব।

ঔষধী বনী গছ
আছে অনেক সাম্প্ৰতিক।

# শিক্ষক দিৱস

'শিক্ষক' এনে এটি শব্দ য'ত নিহিত হৈ আছে শ্ৰদ্ধা আৰু পাণ্ডিত্য। মানৱ জীৱনৰ পিতৃ-মাতৃৰ পাছতে আছে শিক্ষা গুৰুৰ স্থান। গুৰুবিহীন শিক্ষা অসম্পূৰ্ণ আৰু অসাৰ্থক। সেয়েহে শিক্ষা গুৰুৰ স্থান সমাজত অতি উচ্চ। ভাৰতত ১৯৬২ চনত ছেপ্তেম্বৰৰ পৰা শিক্ষক দিৱস উদ্‌যাপন কৰি অহা হৈছে। শিক্ষক সকলে মানৱ সমাজলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতি ৰূপে এই দিনটো শিক্ষক দিৱস ৰূপে পালন কৰা হয়।



আমাৰ দেশ ভাৰতত প্ৰতি বছৰে ৫ ছেপ্তেম্বৰ দিনটো 'শিক্ষক দিৱস' ৰূপে পালন কৰা হয়। এই দিনটোত এজন মহান শিক্ষকৰ জন্ম হৈছিল, তেওঁ হ'ল ড° সৰ্বপল্লী ৰাধাকৃষ্ণন। ১৮৮৮ চনৰ ৫ ছেপ্তেম্বৰত দক্ষিণাত্যৰ বৰ্তমান চেন্নাই চহৰৰ উত্তৰ পূৰ্ব দিশত প্ৰায় চল্লিশ মাইল নিলগত তিৰুট্টানী গাঁৱৰ এটা দুখীয়া ব্ৰাহ্মণ পৰিয়ালত তেওঁৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম সৰ্বপল্লী বীৰস্বামী আৰু মাতৃৰ নাম সীতাম্মা আছিল। ৰাধাকৃষ্ণন সৰুৰে পৰা মেধা সম্পন্ন আছিল। তেওঁ ইমানেই প্ৰতিভা সম্পন্ন আছিল যে বেছিভাগ শিক্ষা চৰকাৰী জলপানী লাভ কৰিয়েই হৈছিল।

মাদ্ৰাজ খ্ৰীষ্ট বিদ্যালয়ৰ পৰা কলা বিভাগত বি. এ আৰু এম. এ পাছ কৰাৰ পিছত ৰাধাকৃষ্ণন মাদ্ৰাজৰ প্ৰেচিডেন্সি কলেজৰ সহকাৰী প্ৰৱক্তাৰূপে যোগদান কৰে ১৯০৯ চনত। তেতিয়া তেওঁৰ বয়স আছিল মাত্ৰ ২১ বছৰ। শিক্ষক

শিক্ষক জীৱনৰ আৰম্ভণি পৰাই তেওঁৰ ছাত্ৰ মাজত অতি প্ৰিয় ভাজন হৈ পৰিছিল । তেওঁ ভাৰতৰ উপৰিও বিদেশৰ বহুকেইমন বিশ্ব বিদ্যালয়ত অধ্যাপনা কৰিছিল ।

শিক্ষকতা বৃত্তি আৰু শিক্ষক সমাজৰ প্ৰতি তেওঁৰ অগাধ প্ৰেম পোৱা আছিল । সৰুৰে পৰাই মেধাৱী, বিনয়ী, ধৈৰ্য্য-শীল, নিৰহংকাৰী এই মহান ব্যক্তিজনে কৰ্মকে জীৱনৰ ধৰ্ম বুলি নানা বাধা-বিঘিনী অতিক্ৰম কৰি পিছত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ৰাষ্ট্ৰসংঘৰ শিক্ষা-সংঘৰ শিক্ষা বিজ্ঞান আৰু সংস্কৃতি সন্থাৰ উপ-সভাপতি, ৰাষ্ট্ৰদূত আৰু শেষত ৰাষ্ট্ৰপতি ৰূপে কাৰ্য্যনিৰ্বাহ কৰাৰ পিচতো ৰাধাকৃষ্ণনৰ শিক্ষকৰ প্ৰতি শ্ৰদ্ধা অটুট আছিল । কাৰণ প্ৰথম অৱস্থাত ৰাধাকৃষ্ণণ এজন আদৰ্শ তথা দক্ষ শিক্ষক আছিল আৰু ৰাষ্ট্ৰপতি হোৱা পিচতো এজন আদৰ্শবান শিক্ষক ৰূপে জীৱন নিৰ্বাহ কৰিছিল । এই মহান ব্যক্তিজনে শিক্ষকতাক মহৎ কৰ্মৰূপে জ্ঞান কৰিছিল আৰু শিক্ষাৰ লগত জীৱন যোৱা সম্পৰ্ক অব্যাহত ৰখাৰ বাবে শিক্ষা জগতৰ বিভিন্ন ক্ষেত্ৰত উপকাৰ সাধন কৰিছিল ।

শিক্ষানুষ্ঠান সমূহক ভাৰতীয় সংস্কৃতিৰ বাহক ৰূপে গঠন কৰিবলৈ সত্য অন্বেষণৰ বাবে শিক্ষানুষ্ঠান সমূহে যুঁজিবলৈ শিক্ষাৰ্থীক মাজত মানৱীয় মূল্যবোধ জাগ্ৰত কৰিবলৈ ৰাধা-কৃষ্ণণে শিক্ষক সকলক অনুপ্ৰাণিত কৰিছিল । শিক্ষাৰ্থী আৰু শিক্ষক সকলক মাজত গুৰুত্ব শিষ্যৰ পৰম্পৰা মধুৰ কৰি ৰাখিবলৈ, ভাতৃত্ববোধ জগাই তুলিবলৈ আৰু সাম্যতাৰ

প্ৰতি তেলাও সকলোকে উৎসাহিত কৰিবলৈ তক্ষশীলা, নালন্দা বেনাৰস, বিক্ৰমশীলা আদি প্ৰাচীন শিক্ষানুষ্ঠানৰ শিক্ষা আৰু আদৰ্শ সম্পৰ্কে অৱগত কৰাইছিল। আৰু ব্যৱহাৰিক জীৱনত পালন কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।

অন্ধকাৰৰ পাৰা পোহৰলৈ বাট দেখুৱাওতা জনেই হ'ল শিক্ষক শিক্ষাগুৰুজন বিশিষ্ট গুণৰ অধিকাৰী হ'ব লাগিব নিৰোৰ বিশেষ গুণ কিছু পৰিমাণে স্ব আয়ত্ব যদিও অধিকা শাই ঈশ্বৰ পাদত। সৰ্বপল্লী ৰাধাকৃষ্ণণ সৰ্ব গুণৰে অধিকাৰী আছিল। ৰাধাকৃষ্ণণে ভাৰতীয় শিক্ষাৰ্থী সকলৰ জীৱন ধাৰণৰ পথ উন্নত কৰিবলৈ কলা, আইন আৰু বাণিজ্য বিষয়ক শিক্ষা দিয়াৰ উপৰিও বিজ্ঞান, কাৰিকৰী শিক্ষা আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছিল।

প্ৰায় চল্লিশ বছৰতকৈও অধিক কাল শিক্ষা জগতৰ লগত নিবিড়ভাৱে সম্পৰ্ক থকা এই ব্যক্তিজনে শিক্ষাকতাৰ অন্তৰ্নিহিত উদ্দেশ্য তথা তাৎপৰ্য সম্পৰ্কে গভীৰ ভাৱে অনুধাৱন কৰি শিক্ষক সকলৰ স্থান যে সকলোৰে ওপৰত সেই শাশ্বত সত্য গভীৰ ভাৱে অনুভৱ কৰিছিল।

বিৰল ব্যক্তিত্বৰ অধিকাৰী, আধ্যাত্মিক শিক্ষাৰ পথ আদৰ্শক দাৰ্শনিক এই জনা মহান ব্যক্তিয়ে দেশ বিদেশৰ বিশ্ববিদ্যালয় সমূহতো মুখ্য অধ্যাপক আৰু উপাচাৰ্য হিচাপে শিক্ষাকতা কৰি শিক্ষা জগতত যি আদৰ্শ আৰু অভূতপূৰ্ব বৰঙণি আগবঢ়াই তৈ সকলোকে অনুপ্ৰাণিত

কৰি গ'ল । সেই গৰাকী ব্যক্তিৰ জীৱনস্মৃতি সুগমীয়া কৰি ৰাখিবৰ বাবেই তেওঁৰ জন্ম দিন ৫ চেপ্তেম্বৰ তাৰিখটো সমগ্ৰ ভাৰতবৰ্ষতে শিক্ষক দিৱস ৰূপে পালন কৰা হয় । তেওঁৰ ধৰ্ম আৰু দৰ্শনৰ বিষয়ে তেওঁ বহুতো গ্ৰন্থ লিখি গৈছিল । তেওঁ বিশ্বাস কৰিছিল যে শিক্ষক সকলেই সমাজৰ প্ৰকৃত নিৰ্মাতা । ভাৰতৰ শিক্ষা অনুষ্ঠানবোৰত অতি উলহ-মালহেৰে এই দিনটো পালন কৰা হয় । শিক্ষক সকলে এজন ছাত্ৰৰ ভৱিষ্যৎ নিৰ্মাণ কৰে ।

ড° সৰ্বপল্লী ৰাধাকৃষ্ণন মৃত্যুৰ আগতে বিভিন্ন শিক্ষানুষ্ঠানত শিক্ষাৰ বাবে সুবিধা কৰি থৈ গৈছে ।

এই গৰাকী বিশিষ্ট শিক্ষাবিদ, দাৰ্শনিক, সুবক্তা, ৰাষ্ট্ৰনেতাই ১৯৭৫ চনৰ এপ্ৰিল মাহৰ ১৭ তাৰিখে ৰাষ্ট্ৰক আৰু বিদ্যালয়ক গুণমুগ্ধ ৰাইজক কান্দুৱাই পৰলোকলৈ গমন কৰে । শিক্ষকে আমাক শিক্ষা দি ভৱিষ্যত গঢ়ে । সেয়েহে শিক্ষকক প্ৰতি সন্মান আৰু ভক্তি জনোৱাৰ লগতে একাগ্ৰতাৰে পাঠ মনোনিৱেশ কৰাৰ প্ৰয়োজন । তেতিয়াহে শিক্ষক দিৱসৰ তাৎপৰ্য থাকিব ।

শ্ৰীমতী পিংকি সন্দিকৈ
স্নাতক প্ৰথম ষাণ্মাসিক ।

Scanned with OKEN Scanner

# অসমীয়া ভাষা : ঐতিহ্য বিচাৰ আৰু সাম্প্ৰতিক ৰূপ

কোনো এটা জাতিৰ ভাষা-সাহিত্য, সংস্কৃতিৰ ব্যাপ্তি আৰু গভীৰতাই সেই জাতিৰ মহত্ত্ব আৰু স্বতন্ত্ৰতা প্ৰকাশ কৰে। বিশ্বৰ মাজত গৌৰৱময় আসন অধিকাৰ কৰি নিজৰ মহত্ত্ব আৰু স্বকীয়তা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা জাতিসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে, সেইসকলৰ ভাষা-সাহিত্য-সংস্কৃতিৰ এক ঐতিহ্যপূৰ্ণ আৰু স্পন্দনশীল ইতিহাস আছে। উত্তৰ পূৰ্ব ভাৰতৰ অসমত বাস কৰা অসমীয়া জাতিৰ মহত্ত্ব আৰু স্বকীয়তা যেনেদৰে সুপ্ৰতিষ্ঠিত, তেনেদৰে ইয়াৰ ভাষা সাহিত্য সংস্কৃতিৰ ইতিহাসো ঐতিহ্যপূৰ্ণ আৰু গৌৰৱময়।

অসমীয়া জাতি তথা ইয়াৰ ভাষা-সাহিত্য-সংস্কৃতি আৰ্য আৰু আৰ্যেতৰ বিবিধ জনগোষ্ঠীৰ সমন্বয় আৰু সংশ্লেষণৰ ফল। ঐতিহাসিক আৰু ভাষাতাত্ত্বিক দেশী-বিদেশী পণ্ডিতসকলে অসমীয়া জাতি-ভাষা-সাহিত্য-সংস্কৃতিৰ গঠন আৰু বিকাশৰ বিষয়ে আলোচনাৰ সংঘাত, সমন্বয়াত্মক আৰু সংশ্লেষণাত্মক প্ৰক্ৰিয়াৰ বিভিন্ন দিশ উদাহৰণসহ দাঙি ধৰিছে। পণ্ডিতসকলে অসমীয়া জাতি তথা ইয়াৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশৰ ধাৰাটোক বিশাল লুইতৰ সোঁতৰ লগত তুলনা কৰিছে। এনে তুলনাক অৰ্থহীন ভাৱ বিলাসিতা বুলি উৰুৱাই দিব পৰা নাযায়। কাৰণ নানান নৈ, উপনৈৰ জলধাৰা বুকুত সামৰি লৈহে তাৰ সোঁত সুবিস্তৃত, সুগভীৰ আৰু নিৰবচ্ছিন্ন কৰি বওৱাৰ দৰে অসমীয়া জাতি-ভাষা-সংস্কৃতিয়েও আৰ্য আৰু অনাৰ্যৰ নানান জাতি-জনগোষ্ঠীসকলৰ সমন্বয়, সমাহৰণ আৰু সংশ্লেষণৰ জৰিয়তে তাৰ স্বৰূপ আৰু গৰিমা ঘোষণা কৰি আহিছে। উল্লেখনীয় কথা এই যে, এই

Scanned with OKEN Scanner

ধৰা আৰু গৰিমাই ঘোষণা কৰি আহিছে। উল্লেখনীয় কথা এইযে অসমৰ জাতীয় জীৱনত অংকুৰণ কৰিছে প্ৰগতি আৰু সমন্বয়ৰ বীজ।

উত্তৰ পূব ভাৰতৰ যি ভূখণ্ডক বুজাবলৈ 'অসম' নামটো সম্প্ৰতি ব্যৱহাৰ কৰা হৈছে, সেইটো নাম অৰ্বাচীন। 'অসম' নামৰ উৎপত্তি সম্পৰ্কে আলোচনা প্ৰসংগত পণ্ডিতসকলে ভিন ভিন মত প্ৰকাশ কৰা দেখা যায়। পণ্ডিতসকলৰ মতসমূহৰ ওপৰত ভিত্তি কৰি এটা কথা স্পষ্টভাৱে কʼব পাৰি যে 'অসম' নামটো আহোম জাতিটোৰ লগত গভীৰভাৱে সংপৃক্ত।

অসমৰ প্ৰাচীন নাম প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ। মহাভাৰতত প্ৰাগজ্যোতিষপুৰক 'কিৰাত' দেশ ৰূপে প্ৰতিপন্ন কৰা হৈছে। এই 'কিৰাত' সকল মংগোলয়ড গোষ্ঠীৰ লোক। সংস্কৃত সাহিত্যত 'কামৰূপ' আৰু 'প্ৰাগজ্যোতিষপুৰ' — এই দুয়োটা নামেৰে বিকল্পভাৱে প্ৰয়োগ হোৱা দেখা যায়। চীনা পৰিব্ৰাজক হিউৱেনচাঙে এই ৰাজ্যখনক ক-মো-লু-পো বুলি জানিছিল। ক-মো-লু-পো 'কামৰূপ' শব্দৰে আন এটা ৰূপ। মুছলমান আক্ৰমণকাৰীসকলে ইয়াক 'কামৰূপ' বা 'কামৰূদ' নামেৰে জানিছিল। এই নামটোৰ লগত চাওতালী ভাষাৰ কমলা বা 'কম' শব্দৰ সম্পৰ্ক থকা বুলি ডঃ বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে।

সেইসময়ত অসমত অসমীয়া জাতি আৰ্য আৰু অনাৰ্যৰ জাতি-জনগোষ্ঠীৰ সমন্বয়ত গঢ় লৈ উঠে, অনাৰ্য গোষ্ঠীসমূহৰ ভিতৰত 'মংগোলয়ড', 'অষ্ট্ৰিক' আৰু 'নেগ্ৰিটো' গোষ্ঠীৰ লোকসকল এই ৰাজ্যত অতি প্ৰাচীনকালৰে পৰা বসবাস কৰি আহিছে। আৰ্যসকলৰ ইয়ালৈ কেতিয়া প্ৰব্ৰজন ঘটিল তাৰ নিৰ্দিষ্ট সন, তাৰিখ, স্পষ্টভাৱে উল্লেখ কৰা নাই যদিও, পণ্ডিতসকলে অনুমান কৰে যে, খ্ৰীষ্টপূৰ্ব শতিকাতে এই জনগোষ্ঠীটোৰ লোকসকলে ইয়াত বসতি বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিছিল। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাত ৰচিত 'শতপথ ব্ৰাহ্মণ' গ্ৰন্থত, এই ৰাজ্যত

বসবাস কৰা আৰ্যগোষ্ঠীৰ লোকৰ উল্লেখ পোৱা যায়। তেওঁলোকে ইয়াত বসবাস কৰিবলৈ লৈয়েই তেওঁলোকৰ নিজা ভাষা-সংস্কৃতি আৰু ধৰ্মীয় ভাবনা, প্ৰাক আৰ্য মংগোলয়ড, অষ্ট্ৰিক আদি জনগোষ্ঠীৰ তুলনাত অধিক শক্তিশালী আছিল। সেয়ে প্ৰাক্ আৰ্যগোষ্ঠীৰ লোকসকলে তেওঁলোকৰ নিজা ভাষা-সংস্কৃতি আৰু ধৰ্মীয় ভাবনাৰ অনুগামী হ'ল। আৰ্যসকলেও 'দিয়া আৰু লোৱা' মানসিকভাৱে অনাৰ্য জাতিসমূহৰ সৈতে একাত্মতা স্থাপন কৰি উদাৰ দৃষ্টিভংগীৰ পৰিচয় দিলে। এনেদৰে আৰ্য আৰু অনাৰ্য জাতি-গোষ্ঠীসমূহৰ মিলন আৰু মিশ্ৰণৰ ফলত, এই ভূ-খণ্ডত যি এটা নতুন জাতি গঢ় লৈ উঠিল, সিয়েই বৃহৎ অসমীয়া জাতি। অসমীয়া ভাষা-সংস্কৃতি, এই জাতিটোৰেই অমূল্য সম্পদ।

অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে ভাষাতত্ত্ববিদসকলৰ মাজত মত-পাৰ্থক্য আছে, যদিও ভাৰতীয় আৰ্য ভাষাৰ পৰাই যে ইয়াৰ জন্ম হৈছে, সেই বিষয়ে কাৰো মনত সন্দেহৰ অৱকাশ নাই। গ্ৰীয়াৰ্চন চাহাব, ড° সুনীতি কুমাৰ চেটাৰ্জী, ড° বাণীকান্ত কাকতি আদি প্ৰমিতযশা পণ্ডিতসকলে, অসমীয়া ভাষাটো ভাৰতীয় আৰ্যভাষাৰ মাগধী প্ৰাকৃতৰ পৰা হোৱা বুলি মতপোষণ কৰিছে।

অসমীয়া ভাষাৰ স্বতন্ত্ৰতাৰ প্ৰসংগত প্ৰথম ঐতিহাসিক তথ্য আগবঢ়াই সপ্তম শতিকাৰ চীনা পৰিব্ৰাজক হিউৱেন চাঙে। তেওঁ কামৰূপী লোকৰ ভাষা মধ্য ভাৰতীয় ভাষাতকৈ অলপ বেলেগ বোলা মন্তব্যই, সপ্তম শতিকাতে অসমীয়া ভাষাটোৱে স্বকীয়া গঢ় লৈ বিকশিত হোৱাৰ ইংগিত দিয়ে। এই স্বকীয়া গঢ় লোৱাৰ মূলতেই আছিল, অসমলৈ প্ৰব্ৰজিত আৰ্যগোষ্ঠীৰ লোকৰ কথিত ভাষাৰ ওপৰত অনাৰ্যৰ গোষ্ঠীসমূহৰ কথিত ভাষাৰ প্ৰভাৱ।

আন কথাত ক'বলৈ গ'লে অসমত আৰ্য আৰু অনাৰ্যৰ গোষ্ঠীৰ ভাষাৰ সংমিশ্ৰণৰ ফলত যি এক উমৈহতীয়া ভাষাৰ সৃষ্টি হ'ল

লিখা মেলাত সেই অঞ্চলৰ কথিত ভাষাটোকে ব্যৱহাৰ কৰিছিল। খ্ৰীঃ ১৮৪
ত মিছনেৰীসকলৰ প্ৰচেষ্টাত প্ৰথম অসমীয়া আলোচনী 'অৰুণোদই'
কাশ পায়। এইখন আলোচনীয়ে আধুনিক চিন্তা চৰ্চাৰ দুৱাৰ মুকলি
ৰাৰ লগতে উজনিৰ কথিত ভাষাটোক সাহিত্য - সংস্কৃতিৰ বাহন
ৰূপে প্ৰতিষ্ঠা কৰে।

উজনি অসম দীৰ্ঘকাল ধৰি আহোম ৰাজ্যৰ একচেটীয়া শাসনৰ
ধীনত থকা বাবে আৰু ভাষাটোৰ এটা সুসংহত ৰূপ গঢ়ি উঠে।
অন্যহাতে নামনি অসম কোনো এক ৰাজশক্তিৰ বিপৰীতে বিভিন্ন
সময়ত, বিভিন্ন জাতি - গোষ্ঠীৰ ৰজাৰ অধীন হোৱা বাবে আৰু ভাষাটোৰ
কাৰিক আঞ্চলিক ৰূপ গঢ় লৈ উঠে।

পৰিবৰ্তনশীলতা ভাষাৰ স্বাভাৱিক ধৰ্ম। ভৌগোলিক,
সামাজিক, ৰাজনৈতিক আদি প্ৰভাৱ; ঐতিহাসিক কাৰণ, ভিন্ন
ভাষাৰ প্ৰভাৱ, ব্যক্তিগত প্ৰভাৱ আদি কাৰণত ভাষাই পৰিৱৰ্তন
লাভ কৰে। অসমীয়া ভাষাইও এইবোৰৰ পৰা মুক্ত হৈ থাকিব
পৰা নাই। সেয়ে সময়ৰ অগ্ৰগতিৰ লগে লগে অসমীয়া ভাষাই এ
পৰিবৰ্তনৰ মাজেৰে পৰিপুষ্টি লাভ কৰি তাৰ গতিশীলতা আৰু
স্বতন্ত্ৰতা অটুট ৰাখিবলৈ সক্ষম হৈছে। যদিও সম্প্ৰতি ভাষাটোৰ
ক্ষেত্ৰত সংকট উপস্থিত হোৱাটো মন কৰিবলগীয়া। বানান সমস্যা,
উচ্চাৰণ সমস্যা, শব্দ প্ৰয়োগৰ সমস্যা আদি বিভিন্ন সমস্যাই
অসমীয়া ভাষাক বিশৃংখল কৰি তুলিছে। খলুৱা শব্দৰ পৰিৱৰ্তে
কথা বতৰা বা লিখা মেলাত অনা অসমীয়া শব্দ প্ৰয়োগৰ
ৰীতি ধাউতি প্ৰবল হৈ পৰা হেতুকে অসমীয়া শব্দই এতিয়া ঠাঁৱৰ
ঘটত উঠিবলৈ আৰম্ভ কৰিছে। ভাষা - সাহিত্যৰ এই খেলি -
মেলিবোৰলৈ লক্ষ্য কৰিয়েই ড° মহেশ্বৰ নেওগদেৱে গভীৰ আক্ষেপ

নুকীয়া বিশেষত্বৰে লৈ সাধাৰণ লোকৰ মাজত ভাব বিনিময়ৰ বাহন ৰূপে বিস্তাৰ লাভ কৰিবলৈ ধৰিলে। হিউৱেন চাঙে মধ্য ভাৰতৰ ভাষাতকৈ ৰূপৰ ভাষা অলপ বেলেগ বোলাৰ কাৰণ সেইটোৱেই। এনেদৰে আৰ্য আৰু অনাৰ্য গোষ্ঠীৰ ভাষাৰ সংমিশ্ৰণত, অসমত গঢ় লোৱা নুকীয়া বৈশিষ্ট্যপূৰ্ণ ভাষাটোক, কোনো কোনো পণ্ডিতে কামৰূপী প্ৰাকৃত বুলি অভিহিত কৰিছে আৰু তেওঁলোকৰ মতে, সেই কামৰূপী প্ৰাকৃতৰ পৰাই সময়ত অসমীয়া ভাষাৰ উদ্ভৱ।

প্ৰাচীন কামৰূপৰ সকলো শ্ৰেণীৰ লোকেই যে প্ৰাকৃত ভাষাত কথা-বতৰা পাতিছিল, তেনে নহয়, অভিজাত তথা পুৰোহিত শ্ৰেণীটোৱে নিজৰ মৰ্যাদাৰ প্ৰতি সচেতন হৈ ব্যৱহাৰ কৰিছিল সংস্কৃত ভাষা আৰু অনাৰ্যেতৰ গোষ্ঠীৰ লোকসকলৰ নিজ নিজ গোষ্ঠীৰ ভাষা (দোৱান)। ক্ৰমশঃ, সাধাৰণ শ্ৰেণীৰ মুখে মুখে প্ৰচলিত হৈ কামৰূপী প্ৰাকৃতে বাঢ়িহৈ বিস্তাৰ লাভ কৰি সকলো শ্ৰেণীৰ লোকক স্পৰ্শ কৰিলে, গতিয়া সিয়েই হৈ পৰিল সমস্ত কামৰূপী লোকৰ ভাব প্ৰকাশৰ উমৈহতীয়া মাধ্যম।

হিউৱেন চাঙৰ মন্তব্যৰ ওপৰত ভিত্তি কৰি সপ্তম শতিকাক অসমীয়া ভাষাৰ উদ্ভৱকাল হিচাপে ধৰা হয়, যদিও ইয়াৰ প্ৰথম সাহিত্যিক ৰূপৰ নিদৰ্শন পোৱা যায় প্ৰাক্‌শংকৰী যুগৰ কবি হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত' নামৰ এক কাব্যঅনুষ্ঠানতহে। ইয়াৰ পূৰ্বে নিটোল আৰু পৰিপূৰ্ণ ৰূপৰ অসমীয়া বুলিব পৰা সাহিত্য বৰ্তমানলৈকে উদ্ধাৰ হোৱা নাই, যদিও সপ্তম শতিকাৰ পৰা দ্বাদশ শতিকালৈকে ৰাজত্ব কৰা ৰজাসকলৰ তামৰ ফলি আৰু নৱম দশম শতিকামানত ৰচিত বুলি ধাৰণ কৰা বৌদ্ধ সিদ্ধাচাৰ্যসকলৰ 'চৰ্যাপদ' সমূহত অসমীয়া ভাষাটোৰ প্ৰাচীনতম ৰূপৰ নিদৰ্শন পোৱা যায়।

চৰ্যাপদৰ পিছত, অৰ্থাত ত্ৰয়োদশ শতিকাৰ শেষাৰ্ধৰ কবি

ম সৰস্বতীয়ে 'প্ৰহ্লাদ চৰিত' কাব্যখনি ৰচনা কৰাৰ সময়ৰে পৰা সাম্প্ৰতিক কাললৈকে, অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ইতিহাসলৈ লক্ষ্য কৰিলে আমি দুটা স্তৰ দেখিবলৈ পাওঁ। ইয়াৰ প্ৰথমটো ত্ৰয়োদশ শতিকাৰ শেষাৰ্দ্ধৰ পৰা সপ্তদশ শতিকাৰ আগভাগৰ পৰা সাম্প্ৰতিক কাললৈকে ধৰা হয়।

অসমীয়া ভাষাটোৱে সোণতে সুৱগা চৰ লৈছিল নামনি অসমত আৰু ত্ৰয়োদশ শতিকাৰ পৰা সপ্তদশ শতিকালৈকে, এই বিস্তৃত কালছোৱাত সমগ্ৰহতোৱা কবি-সাহিত্যিকৰ সাহিত্যচৰ্চাৰ কেন্দ্ৰস্থল আছিল নামনি অসম। সেয়ে এইসকল কবি সাহিত্যিকৰ ৰচনাত নামনি অসমত আজিও প্ৰচলিত ভাষাটোৰ আঞ্চলিক বৈশিষ্ট্যৰ নিদৰ্শন পোৱা যায়।

সপ্তদশ শতিকাৰ মধ্যভাগত, কোচ ৰাজ্যৰ ৰাজত্বৰ অৱসানৰ পাছত, অসমীয়া সাহিত্যচৰ্চাৰ কেন্দ্ৰস্থল কোচবিহাৰৰ পৰা উজনিৰ আহোম ৰজাৰ ৰাজধানী গড়গাঁও-ৰংপুৰলৈ স্থানান্তৰিত হৈছিল। আহোমসকলৰ অসমীয়া সাহিত্যলৈ বিশিষ্ট অৱদান হৈছে বুৰঞ্জীসমূহ। বুৰঞ্জীসমূহৰ লগতে আহোম আমোলত ৰচিত ঘোঁৰানিদান, কামৰত্ন তন্ত্ৰ আদি গ্ৰন্থতো নামনি অসমত প্ৰচলিত ভাষাটোৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দতাত্ত্বিক বৈশিষ্ট্যৰ নিদৰ্শন যথেষ্ট পৰিমাণে পোৱা যায়। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে সেইকালত নামনি অসমত গঢ়ি উঠা ভাষাটোৱে উজনি অসমকো স্পৰ্শ কৰিছিল।

বুৰঞ্জী সাহিত্যৰ জৰিয়তে উজনি অসমত কথিত ভাষাটোৱে লিখিত ভাষাৰ মৰ্যাদা লাভ কৰে। আৰু পিছেই ইংৰাজৰ ৰাজত্বকালত আমেৰিকান মিছনেৰীসকলৰ উদ্যোগত আধুনিক মান্য অসমীয়া ভাষাৰ স্বীকৃতি পায়। মিছনেৰীসকলৰ সকলো কৰ্মকাণ্ডৰ প্ৰধান কৰ্মস্থল আছিল উজনি অসমৰ শিৱসাগৰ জিলা। সেয়ে, তেওঁলোকে


Scanned with OKEN Scanner

আৰু উদ্বেগ প্ৰকাশ কৰি কৈছে, "বিশ্ববিদ্যালয়ৰ চৰম উপাধি-ধাৰী ভাষাতাত্ত্বিকৰ আকাৰ-ইকাৰবোৰেই ঠিক নালাগিল, ভাষাৰ অনাছে, প্ৰথম শ্ৰেণীৰ এম.এ আৰু ডক্টৰ এজনে যেতিয়া তত্ত্বৰ তত্ ধৰাত অক্ষম, আমাৰ ভাষা-সাহিত্য দেৱলীয়া নহৈ দেৱলীয়া হ'বলৈ কি বস্তু আছে?" আমাৰ ইন্টেলেকচুৱেল ভকুৱামে, বৌদ্ধিক শূন্যতাই আমাক পংগু কৰি পেলাব। সেয়ে অসমীয়া ভাষা-সাহিত্যৰ নিষ্ঠাবান লোকসকলে নিয়ত অনুশীলন, অধ্যয়ন, চিন্তন আৰু মননেৰে তাৰ উৎকৰ্ষ-সাধনৰ বাবে আত্মনিয়োগ কৰাৰ সময় আহি পৰিছে। ভাষা-সাহিত্যৰ গৱেষকসকলে, পণ্ডিতসকলে এই দিশত নতুন পুৰুষক এটা সুস্থ-সুশৃংখল পথ দেখুৱাওক। এয়ে আমাৰ কামনা।

— টুম্পা ভদ্ৰ

# সময়ৰ আৰম্ভণি কেতিয়া হৈছিল

পৃথিৱীত বুদ্ধিমান মানুহৰ সৃষ্টি হোৱাৰ ৫০ বছৰতো অধিক হ'ল। কিন্তু মানুহে সময়ৰ বুকুৰে ওলোটা মুখে গৈ নিজৰ জন্মৰ আগৰ ঘটনাবোৰ সাক্ষ্য প্ৰমাণ সংগ্ৰহ কৰিছে। আনকি মানুহে অতীতৰ ঘটনাও নিজ চকুৰে চাব পাৰিছে।



১৯৪৭ চনত আমেৰিকাৰ ৰসায়ন বিজ্ঞানী উইলাৰ্ড লিবিয়ে তেজস্ক্ৰিয় কাৰ্বন পৰমাণু কাৰ্বন-১৪ ৰ সহায়ত পুৰণি বস্তুৰ বয়স নিৰ্ণয় কৰাৰ পদ্ধতিটোৰ উদ্ভাৱন কৰিলে। এই পদ্ধতিৰ সহায়ত ইজিপ্তৰ মামিৰ পৰা পুৰণি অস্থিৰ কংকাললৈকে নিৰ্ণয় কৰা হৈছে।

সেই পদ্ধতিৰ আধাৰত ইউৰেনিয়াম, পটেছিয়াম, ৰুবিডিয়াম আদি কেইবাবিধো তেজস্ক্ৰিয় পৰমাণুৰ অৱক্ষয়ৰ হাৰ হিচাপ কৰি পৃথিৱীৰ বিভিন্ন ধৰণৰ শিলৰ বয়স নিৰ্ণয় কৰা হৈছে। এইবোৰৰ পৰা আমাৰ গ্ৰহটোৰ বয়স ৪৫০ কোটি বছৰ বুলি হিচাপ কৰি উলিওৱা হৈছে। এইবোৰৰ কথা অলপ ভাবি চালে গম লাগিব যে যোৱা কেইটামান শতিকাত মানুহে সময় জুখিবলৈ শিকা আৰু যোৱা কেইটামান দশকত মানুহে সময়ৰ নিখুঁত জোখ ল'বলৈ শিকা মানুহে বহু দূৰ অতীতলৈ জুখিব পৰা হ'ল।

ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ তাত্ত্বিক পদাৰ্থ বিজ্ঞানী ষ্টিফেন হকিঙে কৈছে, "আমাৰ বিশ্বব্ৰহ্মাণ্ড মন ১৫০০ কোটি বছৰৰ আগতে বৰ ঘন হৈ চাপ

আই আছিল। সেদিন অত বিস্ফোৰণ ঘটিল। তেতিয়াৰ পৰাই আমাৰ সময়ৰ গণনা আৰম্ভ হ'ল। তাৰ আগতে সময়ৰ কোনো অৱস্থিতিয়েই নাছিল।"

বিজ্ঞানী হাৰ আইজাক নিউটনৰ মতে "সময় এক স্বকীয় বস্তুৰ দৰে আছিল – ই সমস্ত প্ৰকৃতিৰ ওপৰেৰে অবিৰতভাৱে বৈ যোৱা বস্তু আছিল।" কিন্তু বিজ্ঞানী এলবাৰ্ট আইনষ্টাইনৰ মতে সময় স্থানৰ ওপৰত নিৰ্ভৰ কৰা এটা সীমা বা মাত্ৰা। তেওঁ দেখাইছে যে সময় পৰম বা কাৰো ওপৰত নিৰ্ভৰ নকৰা মাপ নহয়। কোনো ঘটনাইহে সময় কিমান বেগত গৈছে সেইটো নিৰ্ণয় কৰে। সময়ে ঘটনাৰ বেগ নিৰ্ণয় কৰিব নোৱাৰে।

আইনষ্টাইন, হকিং আদি বিশিষ্ট বিজ্ঞানী সকলৰ মানুহৰ আটাইতকৈ সুন্দৰ আৰু যথাযথ ঘড়ী হ'ল পোহৰৰ বেগ। বেগ বোলা কথাষাৰৰ লগত সময় সদায় জড়িত হৈ থাকে। আৰু পোহৰৰ বেগ কেতিয়াও সলনি নহয়। সেইবাবে পোহৰৰ বেগেই হৈছে সময়ৰ জোখাৰ বাবে বা দূৰত্ব নিৰ্ণয় কৰাৰ বাবে অতি উত্তম ব্যৱস্থা।

আইনষ্টাইনে তেওঁৰ আপেক্ষিকতাবাদৰ বিশেষ তত্ত্ব প্ৰমাণ কৰিছে যে পৰ্যবেক্ষক এজনৰ লগত আপেক্ষিকভাৱে গতি কৰা সকা যান এখনত থকা ঘড়ী এটা স্লো যাব। তদুপৰি ধৰি সকা বা সমানে গতি কৰা পৰ্যবেক্ষক এজনে দুটা ঘটনা একে সময়তে হোৱা বুলি নিৰ্ণয় কৰিলে। তেওঁৰ লগত তুলনাত্মকভাৱে গতি কৰি থকা পৰ্যবেক্ষক এজনে সেই ঘটনা দুটা একে সময়তে ঘটা যেন নেদেখে সেইদৰে দুজন পৰ্যবেক্ষকৰ ইজনে সিজনৰ তুলনাত

গতি কৰি থাকিলে, প্ৰথমজনে দ্বিতীয়জনৰ আৰু দ্বিতীয়জনে প্ৰথমজনৰ ঘড়ীৰ তুলনাত স্লো হোৱা দেখিব।


আপেক্ষিকতাবাদৰ বিশেষ তত্ত্বই ঘোষণা কৰা মতে সময় দীঘলীয়া হোৱা কথাটিৰ প্ৰমাণো পোৱা গৈছে। পোহৰৰ বেগত গতি কৰা অস্থিৰ মৌলিক কণাত জীৱনকাল বাঢ়ি যোৱা দেখা গৈছে।

পৃথিৱীত ৰখা পাৰমাণৱিক ঘড়ীৰ সময়ৰ লগত আকাশী জাহাজত নিয়া পাৰমাণৱিক ঘড়ীৰ সময় তুলনাত কৰিও দেখা গৈছে যে বেগত যোৱা ঘড়ী স্লো যায়। অৱশ্যে ইয়াত সময় দীঘল হোৱাত পৃথিৱীৰ মধ্যাকৰ্ষণৰো অৰিহণা আছে।

— তুলসী হাতীবৰুৱা
স্নাতক চতুৰ্থ ষাণ্মাসিক

# শিশুৰ চৰিত্ৰ গঠনত পৰিয়াল আৰু চুবুৰীয়া

মানুহ সামাজিক প্ৰাণী। জীৱ শ্ৰেষ্ঠ মানুহে সমাজক বাদ দি জীয়াই থাকিব নোৱাৰে আৰু ভবকাটোও অসম্ভৱ কথা। সেয়েহে এটি শিশু জন্ম হোৱা দিনৰে পৰাই মানুহৰ আহ-যাহ, দিহা-পৰামৰ্শই আদি ৰাকীক শিশুটোক কেনেদৰে লালন-পালন কৰিব লাগে, কেনেদৰে শিশুটি সুস্থ-সবল হ'ব এই সকলোবোৰ পৰামৰ্শ আগবঢ়াই সমাজত বাস কৰা ব্যক্তিসকলে। এটি শিশু শাৰীৰিকভাৱে সুস্থ হোৱা সত্ত্বেও সেই চুবুৰীটো, সেই সমাজখনৰ অৱস্থাও সুস্থ। এটি শিশুৰ ব্যক্তিত্ব মূল্যায়ন কৰা হয় নিজৰ সমাজখনৰ পৰা। আদিম কালত মানুহে আহাৰৰ সন্ধানতেই হওক বা প্ৰাণ ৰক্ষাৰ বাবেই হওক, এইদৰে পৰা আন ঠাইলৈ যাবৰ বাবে দ'ল বান্ধি ঘূৰি ফুৰিছিল। এনেদৰে কালক্ৰমত সমাজ ৰূপে পৰিগণিত হ'ল। অকলে থোৰ-পিট মাৰি থাকিবলৈ ন'লে। ইজনে সিজনক সহায় কৰা হ'ল। বিপদৰ আপদকালীন পালে সকলোৱে একেলগে মিলি থাকে। ইয়েই হৈছে সমাজ। গতিকে আমাৰ শিশুসকলক প্ৰতিকূলিত কৰিবলৈ হ'লে এখন নিৰোগী সমাজ আমাক লাগিবই।



প্ৰকৃততে মাতৃগৰ্ভত স্থিতি লোৱাৰ পৰাই এটি শিশুৰ বিকাশ আৰু শিক্ষা আৰম্ভ হয়। সেই-

সমস্যাবোৰত আত্মীয়স্বজন আৰু পৰিয়ালৰ লোক সকলৰ সহযোগিতা একান্ত প্ৰয়োজন। ভূমিষ্ঠ হোৱা পাছৰ পৰাই শিশুটিক ঘৰুৱা পৰিৱেশ আৰু বাহ্যিক পৰিৱেশত খাপ খাবলৈ প্ৰত্যেক পিতৃ-মাতৃয়েই চেষ্টা কৰে। যেনে — একক পৰিয়াল হ'লে নিজৰ পিতৃ-মাতৃ, ভাই-ভনী আৰু যৌথ পৰিয়াল হ'লে বৰদেউতা-বৰমা ইত্যাদি এই সকলক কেনেদৰে সম্বোধন কৰা হয় এই শিক্ষা শিশুটিক শিকাই দিব লাগে। আমি প্ৰায়েই দেখোঁ যে কিছুমান পিতৃ-মাতৃয়ে বা ওচৰৰ ব্যক্তিসকলে শিশুটিক শুনিবলৈ ভাল লাগে বুলি কথা।) আৰু ওচৰৰ সকলক নাম কাঢ়ি মাতিবলৈ শিকায়। লগতে অবাইচ মাতমাতো বাবে ধৰে মাতিবলৈ শিকায়। বৰদেউতা, বৰমা এই সকলৰ নাম কাঢ়িয়েই কিছুমান শিশুক মতায়। এনেদৰে মতাৰ ফল ভোগ কৰে এই শিশুটিয়ে। তাওঁৰক কেনেদৰে সন্মান কৰিব লাগে, সেইখিনি শিকিবলৈ সুযোগ নিদিলে। যেনে তেওঁ ওচৰ-চুবুৰীয়াই এইক্ষেত্ৰত আমি সকলোৱে দায়ী। দাবাপাহত এটি শিশুৰ মাত দুষ্টৰ সময়ত বৰ্তমানৰ প্ৰত্যেক ব্যক্তিয়েই সাৱধান হ'ব লাগে। যাতে ডাঙৰলোকে পতা কথাবোৰ বা ডাঙৰলোকে মতা অবাইচ মাতবোৰ শিশুৱে আওৰাব নোৱাৰে। আমাৰ সকলোৱে সমাজত এনে কিছুমান ব্যক্তি আছে, যি শিশুক বেয়া মাত শিকাই আমোদ পায়। পিতৃ-মাতৃৰ সকলোৱে নিজৰ কাম-বনৰ সুবিধাৰ বাবে ঘণ্টাৰ পিছত ঘণ্টা -

Scanned with OKEN Scanner

সন্তানটিক লোনৰ ঘৰত যে আছে সেই ব্যৱস্থাটো শিশুৰ
…ৰে অতি ক্ষতিকাৰক । তেনে কৰ্মৰ ফলত শিশুটি মাকে
…বাই খুজিবলৈ মন কৰা হয় বা ঘৰত আহিবলৈ নিবিচাৰে ।
…ৰৰ ৰকা-ৰকি আদি দেখা পায় । সেই কাৰণেৰে শিশুৰ-
…নিম গঠনত বাধাৰ সৃষ্টি কৰে । ঘৰখনেই শিশুৰ-
…প্ৰথম কৰ্মশালী স্কুল বোলা হয় । ঘৰখনৰ প্ৰত্যেকজন
…দিয়েই শিশুৰ নিৰ্বা আদৰ্শ সুন্দৰৰ ফুল চটিয়াবলৈ
…ন: কাৰিব লাগে । শিশু সদায় অনুকৰণ প্ৰিয় । পৰিয়ালৰ
…সদস্য সকলৰ মাজত আপোন, ভাওৰে মৰম কৰা আদৰ-
…ৰ, ভাওৰ প্ৰতি কৰা সেৱা-শুশ্ৰূষা সেই কাৰণেৰে-
…ৰপৰ পাৰিবাৰত যেন শিশুৰ মনত গভীৰভাৱে বেখাপাত
…ৰে । ঘৰুৱা পৰিৱেশ সুস্থ নহ'লে শিশুৰ সুস্থ
মানসিক বিকাশত বাধা আহিবই ।

এটি শিশুক নৈতিক আৰু আধ্যাত্মিক শিক্ষা
…দান কৰাটো প্ৰত্যেক পিতৃ-মাতৃৰে দায়িত্ব আৰু কৰ্তব্য ।
…নৈতিক আৰু আধ্যাত্মিক শিক্ষাইহে এটি শিশুক উশৃংখল
…ৰ পৰা আঁতৰাই ৰাখে । পুৱা-গধূলি প্ৰত্যেক মানুহৰ
…ত চাকি-বন্তি জ্বলাই ভগৱানক আৰাধনা কৰা হয়,
…ই সময়ত নিজৰ শিশুটিকো লগত লৈ প্ৰাৰ্থনা-
…ৰিব লাগে । লাহে লাহে শিশুটিৰ মনত ভগৱানৰ
…তি এটি ভক্তিভাৱৰ উপস্থিত । ভগৱান কৃষ্ণৰ লৰালি
…কালৰ আধুৰকাৰ দৰে কিছু ভক্তি ৰস শিশুৰ মনত-

সুস্থৰাবলৈ যত্ন কৰিব লাগে । আধ্যাত্মিক চিন্তা-চৰ্চাই শিশুৰ মনত সততা, দৃঢ়তা, বিশ্বাস আৰু সাহস যোগাব। আমি দৈনন্দিন জীৱনত কৰা কামবোৰ, কথাবোৰ আমাৰ অজ্ঞাতেই শিশুৱে নিৰীক্ষণ কৰি থাকে । সেইবাবে আমি প্ৰত্যেক ক্ষেত্ৰতে সাৱধান হ'ব লাগিব । আমি যেন অপকৰ্মবোৰে যাতে শিশুৰ অনুভূতিত আঘাত হানিব নোৱাৰে ।

শ্ৰীমতী জুলী দাগো ।

প্ৰাক্তন ছাত্ৰী ।

# বিজ্ঞান প্ৰযুক্তি আৰু মানৱ সমাজ

আজিৰ সভ্যতাৰ সমাজৰ প্ৰত্যেকজন মানুহেই বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ চালিকা শক্তিৰে পৰিপুষ্ট একোজন সভ্য আৰু উন্নত সমাজৰ একো একোজন আদৰ্শবান নাগৰিক। বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নয়নে আজিৰ মানৱ সমাজক উন্নতিৰ উচ্চ শিখৰত উপনীত কৰাত যথেষ্ট অৱদান আগবঢ়াইছে। কিন্তু একবিংশ শতিকাৰ বিজ্ঞান প্ৰযুক্তিবিদ্যাৰে পৰিপুষ্ট এখন সভ্য সমাজৰ নাগৰিক হৈছো যদিও সমাজৰ সকলো মানুহৰেই মানসিকতা, চিন্তা চৰ্চা, ধ্যান ধাৰণাত বিজ্ঞান প্ৰযুক্তিবিদ্যাই কঢ়িয়াই অনা আধুনিকতাৰ প্ৰলেপ পৰিছেনে? এই প্ৰশ্নটো হয়তো সাম্প্ৰতিক সময়ত সংঘটিত বিভিন্ন ঘটনা তথা সমস্যাই প্ৰত্যেজন সচেতন ব্যক্তিৰ মনতেই আলোড়িত কৰিছে। আজি আমাৰ সমাজৰ এচাম মানুহে আধুনিকতাৰ নামত বাহ্যিক সৌন্দৰ্যৰ ওপৰত গুৰুত্ব দিছে। আনহাতে অন্ধবিশ্বাস, কু-সংস্কাৰ আদি ধ্যান ধাৰণাতো এনেদৰে নিমজ্জিত হৈ পৰিছে যে তাৰ বাবে বহুতো নিৰীহ মানুহৰ জীৱনলৈ অন্ধকাৰ নমাই আনিছে। কোনোৱে প্ৰাণ পৰ্যন্ত উৎসৰ্গা কৰিবলগা হৈছে। বিজ্ঞান প্ৰযুক্তিবিদ্যাই আগবঢ়োৱা অৱদানৰ সু-ব্যৱহাৰ কৰি সমাজৰ এচাম মানুহে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছে আৰু আন এচামে তাৰ কু-ব্যৱহাৰ কৰি সমাজখনক কলুষিত কৰিছে।

আজিৰ সমাজখনত সততে সংঘটিত হোৱা ডাইনী হত্যা, বিভিন্ন ধৰণৰ অন্ধবিশ্বাস আৰু কু-সংস্কাৰে আৱৰি আছে। তেন্তে আধুনিকতাৰ প্ৰশ্ন ক'ত? যিখন সমাজত কিছুমান স্বাৰ্থপৰ লোকৰ তাড়নাত পৰি হাজাৰ হাজাৰ মানুহে চকু অন্ধ কৰি সেই নিৰীহ মানুহবোৰক অত্যাচাৰ কৰি অঘৰী জীৱনলৈ ঠেলি দিছে। এইবোৰ সত্যে, উন্নত মানৱ সমাজত মানসিকতা হয়নে? য'ত কোনো ধৰণৰ মানৱীয়তা নাই, দয়া, মায়া মমতাৰ প্ৰশ্নই নাই। ইয়াৰোপৰি আজিকালি এচাম নৱ প্ৰজন্মই ম'বাইল ইলেক্ট্ৰনিক মাধ্যম এনেধৰণেৰে ব্যৱহাৰ কৰে যাৰ ফলত সেইচাম প্ৰজন্মই যে বিপদগামী হৈছে এনে নহয় তাৰ আসক্ত পৰি সমাজৰ কিছুমান মেধাৱী প্ৰতিভাৱান নৱ প্ৰজন্মও নিজৰ জীৱনলৈ কাল ধুমুহা নমাই আনিছে। তদুপৰি আধুনিক যুগত ল'ৰা ছোৱালীক সম অধিকাৰ প্ৰদান কৰিছে। যদিও আজিও ছোৱালী শোষিত, লাঞ্ছিত, অৱহেলিত তাত কোনো সন্দেহ নাই। সাম্প্ৰতিক সময়ত সঘনে সংঘটিত বলাৎকাৰ, ধৰ্ষণ, নাৰীক শাৰীৰিক মানসিকভাৱে কৰা নানান অত্যাচাৰে পুৰুষতান্ত্ৰিক সমাজখনে নাৰীৰ প্ৰতি কৰা অন্যায়কে পুনৰবাৰ প্ৰতিপন্ন কৰিছে। আজিও এগৰাকী যুৱতীয়ে ৰাস্তাত সুকলমে খোজ কাঢ়িব নোৱাৰে। এইবোৰ বিজ্ঞান প্ৰযুক্তিবিদ্যাই কঢ়িয়াই অনা আধুনিকতানে?

যি কি নহওঁক আজিৰ যুগটোত বিজ্ঞান প্ৰযুক্তিবিদ্যাই আগবঢ়োৱা অৱদানেৰে আমি আজিৰ সমাজখনক একোখন সুন্দৰ সমাজলৈ ৰূপান্তৰ কৰিব পাৰিব। আমাৰ সমাজখনক কলুষিত কৰা সমাজৰ প্ৰভাৱশালী স্বাৰ্থপৰ দুৰ্নীতিপৰায়ণ ব্যক্তিসকলৰ


মানসিকতা পাৰিবৰ্তন কৰি সং পদ্ধতি আনিবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

গতিকে আহক আমি সকলোৱে সময় সহযোগিতা আগবঢ়াই বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ আগবাঢ়োৱা প্ৰত্যেকটো অৱদানৰ সদ্ ব্যৱহাৰ কৰো আৰু ভৱিষ্যত প্ৰজন্মকো লাভৱান্বিত কৰো।

— লক্ষীপ্ৰিয়া হাজৰিকা
স্নাতক ষষ্ঠ ষাণ্মাসিক

# মাদক দ্ৰব্য এক অভিশাপ

আমাৰ সমাজখনত আৰবি পেলোৱা মাদক দ্ৰব্য এক অভিশাপ। তাৰ বাদে আন একো নহয়। সমগ্ৰ বিশ্বত পথ দুৰ্ঘটনাসমূহত, বেমাৰত যিমান সংখ্যক মানুহৰ মৃত্যু হয়, সেই পৰিমাণে মাদক দ্ৰব্য সেৱন কৰি মৃত্যু হোৱা মানুহৰ সংখ্যা তিনিগুণতকৈ বেছি। দুৰ্ঘটনাত মৃত্যু হোৱা মূল কাৰণ হ'ল মাদক দ্ৰব্য সেৱন।



আজি ভাৰত স্বাধীন হোৱা ৭৩ বছৰ হ'ল। ইংৰাজসকলে অসমীয়াসকলক দুৰ্বল আৰু সোপোপা কৰিবৰ বাবে কানিৰ ৰূপত যি মাদক দ্ৰব্যৰ প্ৰয়োগ ঘটালে সেয়া আজিও শেষ নহ'ল। সাধাৰণতে মানুহৰ সংগ দোষৰ বাবে [illegible] লোৱা মাদক দ্ৰব্যৰ সেৱনৰ এই অভ্যাসটো দৰাচলতে এটা বৰ বেয়া অভ্যাস।

মাদক দ্ৰব্যৰ বাবে আজিৰ যুৱ চাম আওবাটে যাব ধৰিছে। মাদক দ্ৰব্য সেৱন কৰাৰ পিছত তেওঁলোকৰ মন-মগজুৰ উচিত চিন্তা ধ্বংস হৈছে, স্বভাৱো নষ্ট হৈছে। সমাজৰ অন্য লোকক দূৰৰে কথা নিজৰ পিতৃ-মাতৃকো সন্মান দিবলৈ পাহৰি গৈছে। মাদক দ্ৰব্য সেৱন কৰি অচেতন অৱস্থাত গাড়ী চলাই নিজৰ লগতে লোকৰ জীৱনো ধ্বংস কৰিছে। সমাজৰ অশান্তিৰ মূল

কাৰণ হ'ল মাদক দ্ৰব্য । দৰিদ্ৰ শ্ৰেণীৰ অধিক দৰিদ্ৰতাৰ দিশে ধাৱমান হোৱাৰ মূল এই মাদক দ্ৰব্য ।


মাদক দ্ৰব্যই আজিৰ প্ৰজন্মক অনিশ্চিত ভৱিষ্যতৰ দিশে ঠেলি দিছে । মানুহৰ শাৰীৰিক, মানসিক আৰু আৰ্থিক আটাইকেইটা দিশৰ পৰাই মাদক দ্ৰব্যৰ অভ্যাস অতিকৈ অপকাৰী । দুৰাৰোগ্য বেমাৰৰ মূল কাৰণ হ'ল মাদক দ্ৰব্য । মদে মানুহৰ হাঁওফাঁও নষ্ট কৰি পেলায় আৰু নানাবিধৰণৰ বেয়া কামলৈ আগবঢ়াই নিয়ে । মাদক দ্ৰব্য সেৱন কৰা ফলত মানুহৰ মৃত্যু হোৱা দেখা যায় । মাদক দ্ৰব্যই মানুহক ধানিৱাল কৰি তোলে আৰু মানুহে সহজে তাৰ পৰা আঁতৰ কৰি তুলিব নোৱাৰে ।

আহক, আমি সকলোৱে মাদক দ্ৰব্য সম্পৰ্কে সজাগ হৈ ভৱিষ্যতৰ বাবে এক সুন্দৰ আৰু সুস্বাস্থ্য সম্বলিত জীৱন যাপনত মনোনিৱেশ কৰোঁ আৰু এমন সুন্দৰ পৰিৱেশ সমাজ গঢ়ি তোলো ।

শ্ৰীমতী মায়াশ্ৰী বৰা
প্ৰাক্তন ছাত্ৰী

Scanned with OKEN Scanner

# অসম কন্যা হিমা দাস আৰু ভণিতা



অসমবাসীৰ গৌৰৱৰ প্ৰতীক হিমা দাস। নগাঁওবাসী হিমা দাস ভাৰতীয় ক্ৰীড়া ক্ষেত্ৰৰ নৱতম চাঞ্চল্য। ধিঙৰ ৩ নং কান্দুলীমাৰী গাঁৱৰ পৰা সুদূৰ অষ্ট্ৰেলিয়ালৈ জয়যাত্ৰা। হিমা দাসৰ পিতৃ ৰঞ্জিত দাস আৰু মাতৃ জোনালী দাস। গোল্ড কোষ্টত জিলিকিল ১৮ বছৰীয়া অসমৰ কন্যা হিমা দাস। কমনৱেলথ গেমছত প্ৰথমজনা ভাৰতীয় হিচাপে মহিলাৰ চাৰিশ মিটাৰ দৌৰত ফাইনেল স্থান নিশ্চিত কৰিলে হিমা দাসে। ১৯৬৬ চনত বেংকক এচিয়ান গেমছত স্বৰ্ণ জয় কৰিছিল প্ৰোমেশ্বৰ বড়োৱাই। ৫২ বছৰৰ পিছত ইতিহাস ৰচিছিল হিমা দাসে। ৫১.৩২ ছেকেণ্ডত 400 মিটাৰ দৌৰৰ ফাইনেলত ষষ্ঠ স্থান লাভ কৰে হিমা দাসে স্পৰ্টছ কোটাৰ অধীনত হিমা দাসলৈ চাকৰি। ২০১৮ চনৰ ১০ এপ্ৰিলত হিমা দাসৰ নিযুক্তি পত্ৰৰ ৰে'ল ৰাজ্যিক মন্ত্ৰী ৰাজেন গোহাঁইয়ে স্বাক্ষৰ কৰিছিল। ৰাজ্য চৰকাৰে হিমালৈ আগবঢ়াইছে অসম আৰক্ষীৰ পৰিদৰ্শকৰ পদ। অসম চৰকাৰৰ ক্ৰীড়া ৰাজ্য মন্ত্ৰী নবদলৈ ঘোষণা কৰিছিল এই কথা। ইংলেণ্ডত অনুষ্ঠিত ২০ বছৰ অনূৰ্ধ্ব বিশ্বৰ এথলেটিক্‌ছ চেম্পিয়নশ্বিপত 400 মিটাৰ দৌৰত স্বৰ্ণ পদক জয় কৰাৰ পাছত হিমাৰ প্ৰশংসাত দেশৰ সকলো গৌৰান্বিত হৈ পৰিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডেৰবীয়াকৈ হিমালৈ ৫ লাখ টকা পুৰস্কাৰ প্ৰদান কৰিছিল। অসম অলিম্পিক

খ্য আৰু অসম এথলেটিক্স সংস্থাই ২ লাখ টকা
দ পুৰস্কাৰ ঘোষণা কৰে। বলিউডৰ খিলাড়ীসকলে
পানিত অক্ষয় কুমাৰে হিমা দাসৰ ওপৰত ছবি নিৰ্মাণ
কৰিব বুলি এক সংবাদ দলত উল্লেখ কৰিছে। হিমা দাসে
ৰৰ বাবে ইতিহাস ৰচনা কৰিছে অৰ্থাৎ কোনেও
তিয়াও কৰিব নোৱাৰা কাম কৰি দেখুৱাইছে। সেয়ে
হিমাৰ ওপৰত Bio Pic নিৰ্মাণ কৰিবৰ বাবে আগ্ৰহ
কাশ কৰিছে। বলিউডৰ এই শিল্পী গৰাকীয়ে। ISL ৰ
ৰম সংস্কৰণৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে
যোজক নীতা আম্বানী, অভিনেতা অভিষেক বচ্চন, পূৰ্ব
ক্ৰিকেটাৰ সৌৰভ গাংগুলীৰ লগতে উপস্থিত সকলে হিমা
ৰিলে। স্বৰ্ণজয়ী হিমা দাসক উচ্চ প্ৰশংসা কৰে
তা আম্বানীয়ে। ISL ৰ উদ্বোধনী অনুষ্ঠানত অংশ
ল গৌৰৱবোধ অনুভৱ হিমা দাসৰ। হিমাই স্বৰ্ণ
য় কৰাৰ পাছতেই ইংৰাজী ভালদৰে কব নোৱাৰাৰ
বিধা ইলে আসাম এক্সপ্ৰেছ' হিমাৰ বিৰুদ্ধে ষড়যন্ত্ৰ
অৰ্থাৎ আসাম এক্সপ্ৰেছক জনমানসত হেয় প্ৰতিপন্ন
বাৰ ষড়যন্ত্ৰ কৰিছিল। ভাৰতীয় এথলেটিক্স সংস্থাৰ
টুইটাৰৰ পৰাই আৰম্ভ হৈছিল ষড়যন্ত্ৰৰ ব্লু-প্ৰিণ্ট।
থলেটিক্স ফেডাৰেচনক তীব্ৰ সমালোচনা কৰা হৈছিল।
নৰ আসাম এক্সপ্ৰেছক ইলে অপপ্ৰচাৰ বঙালী লবীৰ।
হিমা দাসক বঙালী বুলি পৰিচয় দিব খোজে NEWS
P BENGALI এই সংবাদধৰ্মী ৱেবচাইটটোৰ বাবে।
টি মেলত কঠোৰ সমালোচনা চলিছিল। অৱশেষত
উলোকে ৰাজহুৱাভাৱে ক্ষমা প্ৰাৰ্থনা মাগিবলৈ
বাধ্য হ'ল।

হিমা দাসৰ দৰে অসমৰ আন এগৰাকী কন্যা হ'ল ভনিতা। ভনিতা ছয়গাঁৱৰ এটি সাধাৰণ পৰিয়ালৰ কন্যা। ভিলেজ ৰকষ্টাৰ বিশ্বজুৰি আলোড়ন সৃষ্টিকাৰী অসমীয়া ছবি। টৰেণ্টো আন্তঃৰাষ্ট্ৰীয় ছবি মহোৎসৱত প্ৰিমিয়াৰ ২৭ খনতো অধিক দেশ বিদেশৰ ছবি মহোৎসৱত প্ৰদৰ্শিত এই অসমীয়া ছবিখনৰ পৰিচালক ছয়গাঁৱৰ ৰীমা দাস। ভনিতা এই অসমীয়া ছবিখনৰ এগৰাকী অনবদ্য অভিনেত্ৰী। ভনিতা বিশ্ব চলচ্চিত্ৰ প্ৰেমী আৰু সমালোচকৰ নয়নৰ মণি। এই ছবিখনৰ যেন ৰীয়েল ষ্টাৰ ভনিতা। ভনিতাই অসমলৈ তিনিটাকৈ বঁটা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। গ্ৰীচ, মুম্বাই আৰু গোৱা আন্তঃৰাষ্ট্ৰীয় ছবি মহোৎসৱত ভনিতাই শ্ৰেষ্ঠ শিশু শিল্পীৰ সন্মান লাভ কৰিছে

— পিংকি বড়া

স্নাতক পঞ্চম ষাণ্মাসিক

# সাংস্কৃতিক সমঘাত যুৱ-উচ্ছৃংখলতা আৰু বৰ্তমান সমাজ

শিৰোনামৰ কথাষাৰিৰ পৰা অনুমান কৰিব পাৰি যে সাংস্কৃতিক সমঘাত যুৱ-উচ্ছৃংখলতাই সমাজত জটিল সমস্যাৰূপে সিঁধ দিছে। এই সমস্যা বৰ্তমান কেৱল অসমতেই নহয় সমগ্ৰ বিশ্বতে এক জ্বলন্ত সমস্যাৰূপে পৰিগণিত হৈছে। শিক্ষাৰ প্ৰসাৰতা যিমানেই বৃদ্ধি পাইছে, সিমানেই এই সমস্যাই গুৰুতৰ বিভীষিকাৰ সৃষ্টি কৰিছে। বৰ্তমান প্ৰেক্ষাপটত এটা ডাঙৰ সমস্যা হৈছে যুৱ উচ্ছৃংখলতা। আধুনিক সমাজৰ জটিলতাৰ বৃদ্ধিৰ লগে লগে যুৱ উচ্ছৃংখলতা বৃদ্ধি পাইছে বুলি অনুমান কৰিব পাৰি। যান্ত্ৰিক যুগটোৱে সমাজৰ সকলো মানুহকে যেন এটা যন্ত্ৰলৈ ৰূপান্তৰিত কৰিছে। ক'ৰবাত অকণমান বিচ্যুতি হ'লেই দুৰ্ঘটনা ঘটিব। অতীতৰ মানুহে এটা প্ৰাকৃতিক পৰিৱেশত সহজ-সৰল জীৱন-যাপন কৰিব পাৰিছিল। সেইবাবে উচ্ছৃংখলতাৰ অশুভ প্ৰভাৱৰ পৰা সমাজখন আঁতৰত আছিল।

উচ্ছৃংখল শব্দটোৱে সমাজৰ ৰীতি-নীতি, নিয়মক ভেঙুচালি কৰি অসামাজিক কামত লিপ্ত হোৱাটোকে বুজায়। যুৱ-প্ৰজন্মই হ'ল আমাৰ দেশৰ জাতি তথা সংস্কৃতিৰ মূল চালিকাশক্তি, যুৱক-যুৱতীসকল সামাজিকভাৱে সচেতন আৰু নৈতিকভাৱে সুস্থ-সবল হ'লেহে আমাৰ দেশৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, শৈক্ষিক দিশত সামগ্ৰিকভাৱে গোটেই সমাজখনকেই উন্নতি আৰু এক শান্তিপূৰ্ণ অৱস্থা কামনা কৰিব পাৰি। আজিকালি অপ্ৰিয় হ'লেও সত্য যে, ছাত্ৰ সমাজ অৰ্থ লোভত পৰি চুৰি, হত্যা, লুণ্ঠন

আদি কামত লিপ্ত হৈছে। নীতি - নিয়ম ভংগ কৰি সমাজ, দেশ তথা পৰিয়ালত অশান্তি আনি দিছে।

বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভিনৱ অৱদানসমূহেৰে আজিৰ সমাজ ভৰি পৰিছে। আজিৰ যুৱ প্ৰজন্মৰ অধিকাংশই অৱদানসমূহৰ সেৱা গ্ৰহণতেই আগ্ৰহী হৈ পৰিছে। এইসকলৰ চিন্তা জগতখন যেনে- মোবাইল, ইন্টাৰনেট, চিনেমা, টেলিভিছন ইত্যাদি সামগ্ৰীসমূহৰ ভিতৰতে ঘূৰি আছে। যি শিক্ষাৰে দ্বাৰা বিদ্যালয় - মহাবিদ্যালয়ৰ পৰা জ্ঞান আহৰণৰ যোগেদি ছাত্ৰ- ছাত্ৰীসকল সমাজত এক সুস্থ নাগৰিক হৈ বসবাস কৰাৰ যোগ্য হৈ উঠে। সেই শিক্ষাক আকুটি কৰি প্ৰতিঘাৰ প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মই এই সামগ্ৰীসমূহৰ অপপ্ৰয়োগ কৰি স্খলন ঘটাইছে। অৱশ্যে দ্ৰুতগতিত পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত প্ৰযুক্তিবিদ্যাৰ এই অৱদানসমূহক আমি অনুভৱ নকৰা নহয়। সিহঁ সকলো বস্তুৰে প্ৰয়োগৰ সীমা আছে। আমি নিজৰ ৰুচিবোধৰ বিকাশ হোৱাকৈ বিশেষকৈ ব্যক্তিবিশেষৰ জাতীয় জীৱনৰ উন্নতিত অবিহণা যোগোৱাকৈ সামগ্ৰীসমূহ ব্যৱহাৰ কৰা উচিত। প্ৰতিঘা প্ৰশ্ন হ'ল আমাৰ সমাজত দ্ৰুতগতিত বৃদ্ধি পাই অহা এই বেমেজালি, বিশৃংখলতাবোৰ কেনেদৰে নিৰাময় কৰিব পৰা যাব ? প্ৰায় দেখা যায় অনেক কিশোৰ-কিশোৰীৰ জীৱনৰ সহজ আৰু স্বাভাৱিক পথত অগ্ৰসৰ নহৈ নানা ধৰণৰ অসামাজিক আৰু অস্বাভাৱিক আচৰণত লিপ্ত হ'ব ধৰিছে।


পুৱা বাতৰি কাকতৰ পাত লুটিয়ালেই দেখিবলৈ পাওঁ যুৱ মানসিকতাৰ স্খলন, যুৱ অপৰাধ অথবা যুৱ উচ্ছৃংখলতাৰ অজস্ৰ বাতৰি। যিবোৰ খবৰ - বাতৰিয়ে বৰ্তমান সমাজৰ সকলো মানুহকে উদ্বিগ্ন কৰি তোলা দেখা যায়। বৰ্তমান সমাজত ছাত্ৰ-

ছাত্ৰ সমাজ তথা যুৱক-যুৱতী হিচাপে বস্তুবাদী ধ্যান-ধাৰণাৰ বশৱৰ্তী নহৈ অফুৰন্ত কৰ্ম প্ৰেৰণা আৰু আশা-আকাংক্ষা, জীৱনৰ গভীৰ মূল্যবোধ আৰু চিৰন্তনৰ মাজত সামঞ্জস্য স্থাপনৰ দ্বাৰা 'সুন্দৰ জীৱনৰ মূলমন্ত্ৰ' হিচাপে গ্ৰহণ কৰি এক নিকা আৰু শান্তিকামী যুৱসমাজ গঠন কৰিবলৈ সদায় যত্নপৰ হ'ব লাগিব ।

— বাবলি বেগম ।

Scanned with OKEN Scanner

# ৰীমা দাসৰ জয়যাত্ৰা




ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই জয়মতী কথাছবিৰে বাট কাটি অসমীয়া ছবিজগতে বিভিন্ন ঘাত প্ৰতিঘাত অতিক্ৰম কৰি আজিৰ অৱস্থা পাইছেহি। সমান্তৰাল ছবিৰ পৰিচালকসকল যেনে ড° ভবেন্দ্ৰনাথ শইকীয়া, জাহ্নু বৰুৱা, মুনিন বৰুৱা, ৰাজেন বৰুৱা আদি ব্যক্তিসকলে অসমীয়া ছবিজগতখন জীপাল কৰি তুলিছিল। বৰ্তমান সময়ত নৱ প্ৰজন্মৰ বহুজনে নব্য চিন্তা ধাৰাৰে এই জগতখনলৈ আগবাঢ়ি আহিছে। তাৰ ভিতৰত এক নব্য চিন্তা ধাৰা তথা নিজস্ব প্ৰতিভাৰে অসমীয়া ছবিজগতত আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হোৱা এগৰাকী নৱাগতা পৰিচালক হল 'ৰীমা দাস'। তেওঁৰ দ্বাৰা পৰিচালিত দ্বিতীয়খন পূৰ্ণদৈৰ্ঘ্যৰ অসমীয়া বোলছবি হল 'ভিলেজ ৰকষ্টাৰ্ছ'। এই বোলছবিখন ২০১৭ চনত বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈ বহুতো পুৰস্কাৰ অৰ্জন কৰিছে। বোলছবি নিৰ্মাণৰ কোনো আনুষ্ঠানিক শিক্ষা নথকা ৰীমা দাসৰ এইখন দ্বিতীয় বোলছবি। লগতে ৰীমা দাস এই ছবিৰ পটকথা লেখক, কাৰ্যবাহী নিৰ্মাতা, সম্পাদক, চিত্ৰনাট্যকাৰ আৰু প্ৰডাকচন ডিজাইনাৰ।

এই বোলছবিখন এগৰাকী কিশোৰী ধুনুমাৰ: তাইৰ সপোনৰ আধাৰত ৰচিত। সমাজৰ বিভিন্ন ঘাট-প্ৰতিঘাতৰ মাজেৰে তাই নিজৰ সপোনবোৰ বাস্তৱত প্ৰতিফলিত কৰিছিল। ধুনুৱে এখন কল্পিত কিতাপ পাতি এটা সঁচাকৈ বেণ্ড গঠন কৰি প্ৰকৃত বাদ্যযন্ত্ৰ বজাবলৈ মনস্থ কৰে। তাৰ পিছত এটকা এটকাকৈ সাঁচি তাই নিজৰ এখন বৈদ্যুতিক গীটাৰ কিনাৰ সপোন দেখে। এটুকুৰা বাতৰি কাকতৰ এটা প্ৰবন্ধ পঢ়ি ধুনুৰ মন আৰু বেছি দৃঢ় হয়। তাই বুজি পায় যে ধনাত্মক চিন্তাৰ দ্বাৰা তাইৰ সপোন সাৰ্থক হ'ব।


ভিলেজ ৰকষ্টাৰ্ছ, বোলছবিখন কামৰূপী উপভাষাত নিৰ্মাণ কৰা হৈছে। বোলছবিখনে লিংগ সমতাৰ শ্ৰেষ্ঠ ছবিৰ 'অস্কাৰ বঁটা', 'ফিপ্ৰচি অৱ ফেষ্টিভেলে বঁটা আদিৰ লগতে বিভিন্ন ক্ষেত্ৰৰ পৰা বঁটা আৰু সন্মান আহৰি আনিবলৈ সক্ষম হৈছে। সন্দেহ নাই যে উক্ত ছবিখনে অসমীয়া ছবিজগতত এক নতুন দিগন্তৰ সূচনা কৰিছে।

— দেৱিকা বুঢ়াগোহাঁই
স্নাতক তৃতীয় ষাণ্মাসিক

# সাম্প্ৰতিক প্ৰেক্ষাপটত বিদেশী সমস্যা



বৰ্তমান যুগটোৱেই হ'ল তথ্য প্ৰযুক্তি তথা ইণ্টাৰনেটৰ যুগ। বিজ্ঞানৰ অভূতপূৰ্ব সাফল্যৰ ফলত সমগ্ৰ দেশ তথা ৰাজ্যসমূহ দোপতদোপে আগবাঢ়ি যাবলৈ সক্ষম হৈছে। সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ মূল তথা জলন্ত সমস্যা ৰূপে আমাৰ চকুৰ আগত থোহি উঠে বিদেশী সমস্যাটোৱে। যিটো সমস্যা বৰ্তমান বহুল চৰ্চিত আৰু বিতৰ্কিত বিষয়। প্ৰতিদিনেই সংবাদ মাধ্যমৰ মূখ্য শিৰোনামা দখল কৰা বিদেশী হিন্দু নাগৰিকক ভাৰতীয়কৰণ কৰিবলৈ যি অপচেষ্টা চলাইছে সেই অপচেষ্টাই অসমত এক অৰাজকতাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে।



ভাৰতবৰ্ষ এখন বিশাল দেশ। এই দেশৰ পূৰ্ব প্ৰান্তত অৱস্থিত অসম এখন অনগ্ৰৰ ৰাজ্য। সাম্প্ৰতিক প্ৰেক্ষাপটত ভাৰতৰ বিভিন্ন ঠাইৰ পৰা যোৱা বাহিৰাগত অতিমাত্ৰা প্ৰব্ৰজনে জনসংখ্যাৰ মাত্ৰা ক্ষীণ গতিত বৃদ্ধি কৰি সমস্যাৰ সৃষ্টি কৰিছে। দিনক দিনে প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে জুৰুলা কৰা অসম মাতৃৰ ভূমিপুত্ৰ আৰু অসমীয়া জাতিৰ ওপৰত অনাহক ভাৱে এচাম বিদেশীৰ প্ৰব্ৰজনে এই ভূমিপুত্ৰৰ অস্তিত্ব নিঃশেষ কৰি পেলোৱা উপক্ৰম হৈছে। যিটো সমস্যা বৰ্তমান অসমৰ এক জলন্ত সমস্যা হিচাপে মূৰ দাঙি উঠিছে।

Scanned with OKEN Scanner

যিহেতু বৰ্তমান সময়ত ভাৰত চৰকাৰে বিদেশী হিন্দু নাগৰিকক ভাৰতীয়কৰণ কৰাৰ যি চেষ্টা কৰিছে সেই চেষ্টাৰ সুৰুঙা লৈয়ে বহু বিদেশী লোকে ইতিমধ্যে অসমত যথেষ্ট লৈ সমস্যাৰ সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ কথাকে ক'ব পাৰি। বাংলাদেশৰ লোকসকলে প্ৰথমেই নিৰ্বাচন কৰি লৈছে আমাৰ অসম ৰাজ্যক কিয়নো ১৯৭১ চনত বাংলাদেশ জন্ম হওঁতে বহু বাংলাদেশী লোকে অসমত যথেষ্ট লৈছেহি। যাৰ ফলত জনসংখ্যাৰ বৃদ্ধি কৰি নিবনুৱা সমস্যা সৃষ্টি কৰিছে। যাৰ যোগেদি অসমতে অসমীয়া লোকসকল সংখ্যালঘুত পৰিণত হৈছে।

বৰ্তমান সময়ত দেখিবলৈ পোৱা গৈছে যে ভাৰত চৰকাৰে অসমৰ পৰা বিদেশী বহিষ্কাৰ কৰিবৰ বাবে ভাৰতীয় তথা অসমীয়াৰ ৰক্ষা কৱচ NRC প্ৰস্তুত কৰি লৈছিলহিছে। যি NRC ৰ প্ৰস্তুতৰ বহু পূৰ্বেই ইতিমধ্যে বহু বিদেশী লোকে নাম-পত্ৰ ভাৰতীয় হিচাপে নিৰ্মিত কৰি লৈছে তেনে এক প্ৰাকক্ষণত NRC প্ৰস্তুতে বহু সমস্যাৰ সৃষ্টি কৰা দেখা গৈছে।

অসমৰ বিভিন্ন সমস্যাৰ ভিতৰত চকুৰ আগত ভাহি আছে বানপানী সমস্যা, গাৰাখহনীয়া, মহামাৰী আৰু সৌ সিদিনা সংঘটিত হোৱা আমচাংৰ জ্বলন্ত সমস্যা যদিও এই সমস্যাসমূহৰ মূল সমস্যা ভিতৰতে অন্যতম কিন্তু সাম্প্ৰতিক প্ৰেক্ষাপটত অসমৰ মূল তথা জ্বলন্ত সমস্যাই হ'ল- বিদেশী সমস্যা।

ছাত্ৰী আৰু যুৱ সমাজক হতাশা আৰু অনিশ্চয়তাত ভোগা দেখিবলৈ পোৱা যায়। সিহঁতে যেন নিজৰ জীৱনৰ প্ৰতি উদাসীন হৈ সঠিক উদ্দেশ্য সাধনৰ প্ৰতি দূৰত অৱস্থান কৰি উচ্ছৃংখলভাৱে জীৱন কটোৱাত ব্যস্ত হৈ পৰিছে। যুৱ সমাজৰ উচ্ছৃংখলতাৰ ঘটনাৰ বাটে পথে, স্কুল - কলেজ, পৰীক্ষাগৃহ আৰু উৎসৱ - পাৰ্বণ আদি ক্ষেত্ৰত বিৰাজমান। বৰ্তমান সময়ত মদ - ভাং আৰু সস্তীয়া কথাছবিৰ প্ৰচলনতাৰ ব্যাপকভাৱে বৃদ্ধি পাইছে। যাৰ ফলত মানুহৰ মগজুৰ ক্ৰীয়াত বিৰূপ প্ৰভাৱ পৰিছে। গতিকে যুৱ সমাজক তিৰস্কাৰ কৰিলেই আমাৰ সমস্যাবোৰ শেষ নহয়। বৰঞ্চ এই সামগ্ৰীবোৰ বিলুপ্ত কৰাৰ ব্যৱস্থা কৰিব লাগিব।

গতিকে যুৱ - উচ্ছৃংখলতাৰ কাৰণসমূহ আলোচনা কৰি প্ৰতিৰোধ আৰু নিৰাময়ৰ ব্যৱস্থা কৰা উচিত। যুৱ উচ্ছৃংখলতা প্ৰতিৰোধ কৰাটো সহজ নহয়, ই কঠিন কাম। দেশত সুশৃংখল আৰু শক্তিশালী যুৱসমাজ তথা ছাত্ৰসমাজ গঢ়িব নোৱাৰিলে ভৱিষ্যত অন্ধকাৰ। কিয়নো বৰ্তমান সমাজ ব্যৱস্থাত দেখা দিয়া সমস্যা সমাধানৰ বাবে সবাতোকৈ শক্তিশালী আৰু সম্ভাৱনাপূৰ্ণ অস্ত্ৰ হৈছে নৱপ্ৰজন্ম। বৰ্তমান কলুষিত পৰিৱেশে যুৱ প্ৰজন্মক পংগু কৰি পেলোৱাৰ উপক্ৰম হৈছে। বৰ্তমান আমাৰ যুৱ প্ৰজন্মসকল নিৰ্জন শোষণ আৰু অত্যন্ত বিলাস প্ৰিয় মনোভাৱেৰে পৰিবেষ্টিত হৈ পৰিছে। গতিকে এই ক্ষেত্ৰত পিতৃ - মাতৃ, সমাজ, শিক্ষক - শিক্ষয়িত্ৰী চৰকাৰ আদি সচেতন হোৱা উচিত। আমাৰ সমাজ - ব্যৱস্থাৰ পৰা হেৰাই যোৱা ঐক্য নৈতিকতাৰ ভেটি স্থাপন কৰিব লাগিব। উচ্ছৃংখলতা এক সামাজিক বিভীষিকা। যুৱসমাজ তথা ছাত্ৰসমাজে মনত ৰখা উচিত যে আমি একবিংশ শতিকাৰ


'আমি অসমীয়া বুলি সাহনা লাগিলে নহ'ব- আজি অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব' আমি অসমীয়া, অসমত বাস কৰা অসমীয়া চাৰিও দিশৰ পৰা হোৱা বাহিৰাগত প্ৰব্ৰজনে আমাক আষ্টেপৃষ্ঠে দৰে মেৰিয়াই ধৰি অস্তিত্বৰ দুখীয়া কৰি তুলিছে। যেয়ে সকলো আগবাঢ়ি আহি নিৰ্মূল কৰিব লাগিব অসমৰ পৰা বিদেশী সমস্যা।

মৃন্ময়ী দুৰৰা
ষষ্ঠ ষাণ্মাসিক

Scanned with OKEN Scanner

# বৰ্তমান সমাজত নাৰীৰ গুৰুত্ব

নাৰী শব্দটো এটা শক্তিশালী শব্দ । এই নাৰী শব্দটোৰ পৰাই পৃথিৱীৰ অতি সুন্দৰ শব্দটোৰ সৃষ্টি হৈছে 'মা' । নাৰীয়ে বিভিন্ন সময়ত বিভিন্ন ৰূপ ধাৰণ কৰে । যেনে এগৰাকী নাৰী কেতিয়াও দুৰ্বল হ'ব নোৱাৰে । এগৰাকী মাতৃ সন্তানৰ স্বাৰ্থত আটাইতকৈ শক্তিশালী হ'ব পাৰে । নাৰীয়ে কিছু কিছু ক্ষেত্ৰত দুৰ্গা ৰূপও ধাৰণ কৰে । আনহাতে কোৱা হয় যে নাৰী এগৰাকী মমতাময়ী মাতৃও । এনেদৰে পৃথিৱীৰ প্ৰত্যেকগৰাকী নাৰীয়েই সকলো ক্ষেত্ৰত শক্তিশালী হোৱাটো অতি প্ৰয়োজন ।



পুৰুষতান্ত্ৰিক সমাজখনত নাৰীয়ে উচিত মৰ্যদা পাবলৈ সক্ষম হোৱা নাই । নাৰীক সদায় পুৰুষসকলৰ অধীনত ৰাখিব লাগে বুলিও কিছু কিছু ব্যক্তিৰ মন্তব্য শুনা যায় । এই ক্ষেত্ৰত কিন্তু নাৰীয়েই জগৰীয়া বুলি মই অনুভৱ কৰোঁ । 'নাৰীয়েই নাৰীৰ প্ৰধান শত্ৰু' বুলি এষাৰ কথা আছে । এই কথাষাৰৰ পৰাই বুজিব পাৰি যে - কিছুমান পুৰণিকলীয়া চিন্তা-ধাৰাৰ নাৰীসকলে বৰ্তমান যুগতো সেই পুৰণিকালৰ দৰে জীৱন অতিবাহিত কৰিব বিচাৰে আৰু ঠিক সেইদৰে আন নাৰীকো সেই পুৰণিকলীয়া নীতি-নিয়মবোৰ মানি চলিবলৈ বাধ্য কৰায় ফলত তেওঁলোকো সেই নীতি-নিয়মেৰে বান্ধ খাই পৰে, আৰু যদি কোনো নাৰীয়ে পুৰুষৰ দৰে কাম কৰিবলৈ বা পুৰুষৰ সমানে সমানে কাম কৰিবলৈ ওলাই আহে তেওঁ সমাজৰ দৃষ্টিত ভাল নাৰীৰ স্থান নাপায় । ইয়াৰ বাবে নাৰীসকলেই নাৰীৰ শত্ৰুস্বৰূপে থিয় দিয়ে,

আজিৰ সমাজত অপৰাধী নাৰী সুকলিমুৰীয়াকৈ বাহিৰলৈ অকলে ওলাই যাবলৈ নোৱৰা হৈ পৰিছে। কাৰণ কিছুমান বিকৃত মানসিকতাৰে ভৰা মানুহ সমাজত নৰ্থৰা হৈ পৰিছে। এজনী ছোৱালী যেতিয়া ঘৰৰ পৰা বাহিৰলৈ ওলাই যায় তেতিয়া তাই বহুতো মানুহ লগ পায়। সেই সকলোবোৰৰ মাজত কিছুমান ভাল আৰু কিছুমান বেয়া। সেই বেয়ালোক-সকলৰ যেতিয়া কুদৃষ্টি ছোৱালীজনীৰ ওপৰত পৰে তেতিয়া সেই বিকৃত মানসিকতাৰ লোকসকলে সুবিধা বিচাৰি ফুৰে আৰু কেতিয়াবা যদি সেই সুযোগ পাই ছোৱালীজনী সিহঁতৰ কামনাৰ বলি হয়।

এইক্ষেত্ৰত কেৱল পুৰুষসকলেই অপৰাধী নহয় কাৰণ তাৰ সমান্তৰালভাৱে নাৰীসকলো অপৰাধী। কাৰণ আধুনিকতাৰ প্ৰভাৱ পৰি বৰ্তমান সময়ত সকলো মানুহ উটি ভাহি গৈছে। নিজৰ সাজ-পাৰৰ ঠাইত পিছ দি কিছুমান পশ্চিমীয়া অপসংস্কৃতিৰ সাজ-পাৰ পৰিধান কৰি নিজৰ বিপদ নিজেই মাতি আনিছে। বৰ্তমান আমাৰ সমাজত দৃষ্টিগোচৰ হয় যে নাৰীসকলে দেহৰ আধা অংশ উলিয়াই পোছাক পিন্ধি ফুৰি থকা দেখা যায় ফলত বিকৃত মানসিকতাৰে ভৰপূৰ লোকসকলে অসৎ দৃষ্টিৰে চাবলৈ সুবিধা পাই আহিছে, আৰু সেইবাবেই আজিৰ সমাজত নাৰীসকল ধৰ্ষিতা হৈছে, কিছুমান অন্য লোকৰ কামনাৰ বলি হৈ আহিছে।

গতিকে মই অপৰাধী নাৰী হিচাপে ক'ব বিচাৰিছো যে আমি নাৰীসকলে নিজেই নিজৰ সন্মান ৰক্ষা কৰিব লাগিব

আৰু লগতে আন দহগৰাকীৰ সন্মানো ৰক্ষা কৰাতো আমাৰ দায়িত্ব । সেইবাবে আমি সকলোৱে যাতে আধুনিকতাৰ কবলত পৰি উটি-ভাহি নগৈ আৰ্জিত সাজ-পাৰ পৰিধান কৰি আধুনিক সমাজৰ লগত খোপ খাই চলি যাব পাৰোঁ তাৰ প্ৰতি দৃষ্টি ৰখাতো আমাৰ কৰণীয় ।


— সুস্মিতা দিহিঙীয়া

# গল্পৰ চয়নিকা....

শব্দ শক্তিৰ কেঁচা পাতৰ ছুঁৱত হৃদয়ৰ কুটিফাটাই সৰা অনুভৱবোৰ.......
বুকুৰ স্খলনিৰ পৰা শাৰি শাৰি কল্পনাৰ চিত্তত ভাঁহি উঠে। যেন বৰষুণৰ সোঁতে বৰষাৰ গোপন প্ৰেম সৰাৰ দৰে। যিসকল ব্যক্তিৰ উৰ্মিল আবেশত গল্পসম্ভাৰ সাজুত অনুভৱৰ কথাবোৰ নিৰৱ আবেগ অনুভূতি, আশা আকাংক্ষা খাজ গোপনে অতি প্ৰেম মায় দেওলগা গুমুৰীত আলোহীন আশাৰ পানী।



# সপোন



অৰুণ এটা খুব দুখীয়া পৰিয়ালৰ ল'ৰা। ঘৰখনত তাৰ মাক, আইতাক আৰু সি। তাৰ পাঁচ বছৰ বয়সতে দেউতাক ঢুকাল। অৰুণ খুবেই মেধাৱী ছাত্ৰ। সৰুৰে পৰা প্ৰতিটো শ্ৰেণীতে সি ভালদৰেই উত্তীৰ্ণ হয়। সৰুতেই দেউতাকৰ মৃত্যু হোৱাত ঘৰখন চলাবৰ বাবে মাকে আন মানুহৰ ঘৰত কাম কৰে। অভাৱৰ মাজেদি অৰুণ ডাঙৰ হৈছে যদিও মাকে তাক সদায় সজ ব্যৱহাৰৰ বিষয়ে শিকাইছে। বন্ধু-বান্ধৱীৰ লগত সদায় মিলা-প্ৰীতিৰে থাকিবলৈ শিকাইছে আৰু লগতে নিজৰ যি আছে তাকে লৈ সন্তুষ্ট থাকিবলৈ অৰুণক জ্ঞান দিয়ে। বয়সৰ লগে লগে অৰুণো ডাঙৰ হৈ আহিছে। ইফালে তাৰ আইতাকৰো বয়স বাঢ়ি আহিছে আৰু আইতাক দিনক দিনে ৰুগীয়া হৈ আহিছে। মাকে মানুহৰ ঘৰত কাম কৰি যি টকা-পইচা পায় তাৰে সাধ্য অনুসাৰে আইতাকৰ চিকিৎসা কৰাই লগতে অৰুণকো পঢ়া-শুনাৰ বাবে প্ৰয়োজনীয় বস্তু তাৰ যোগান ধৰে। আনহাতে ঘৰ-সংসাৰ চলোৱাৰ চিন্তা। এই সমস্যাবোৰৰ মাজতো মাকে কেৱল এটা সপোন দেখে অৰুণ এজন শিক্ষক হোৱাৰ সপোন, সমাজত এজন ভাল মানুহ হিচাপে প্ৰতিষ্ঠিত হোৱাৰ সপোন। মাকে অৰুণৰ মূৰটো চুই প্ৰায়ে কৈছিল " সোন তই ভালদৰে পঢ়া-শুনা কৰি ভাল মানুহ হ'ব লাগিব। মোৰ কষ্টৰ মান ৰাখিব লাগিব।" এদিনাখন আইতাকে বয়সৰ ওচৰত হাৰ মানি, বেমাৰৰ ওচৰত হাৰ মানি,

এই পৃথিৱীৰ পৰা গুচি গ'ল। ওচৰ-চুবুৰীয়া আৰু আত্মীয় স্বজনৰ সহায়ত শেষকৃত্য সম্পন্ন কৰিলে। তাৰ এবছৰৰ পিছত অৰুণ হাইস্কুল শিক্ষান্ত পৰীক্ষাত-তাৰ মাৰ্কসহ পাঁচটা বিষয়ত লেটাৰ পাই স্তুম্যাথিক্সৰে উত্তীৰ্ণ হ'ল। এই খবৰ পাই মাক খুব সুখী হ'ল কিন্তু মাকৰ চকুৰে দি চকুপানী ওলাবলৈ ধৰিলে। দেউতাক আৰু আইতাকলৈ মাকৰ হঠাৎ মনত পৰি গ'ল। মাকে ভাবিবলৈ ধৰিলে আজিৰ দিনটোত দেউতাক আৰু আইতাক জীয়াই থকা হ'লে এই খবৰটো পাই কিমান যে আনন্দ পালেহেঁতেন। এইবোৰ ভাবি মাকৰ মন সেমেকি উঠিল। অলপ সময়ৰ পিছত অৰুণৰ খবৰ ল'বলৈ ওচৰ-চুবুৰীয়াৰ লগতে অৰুণৰ শিক্ষা-গুৰু, বন্ধু-বান্ধৱ সকলোৱে আহি অৰুণক শুভেচ্ছা যাচিলেহি। এই সকলোবোৰ দেখি মাকৰ বিশ্বাস আৰু দুগুণে বৃদ্ধি পালে যে অৰুণ সঁচাকৈয়ে এদিন ভাল মানুহ হ'ব, নিজৰ ভৰিত নিজে থিয় দিব পাৰিব। তাৰ বাবে মাকে যিমান পাৰে কষ্ট কৰিব। মাকে অৰুণক লৈ এটাই সপোন দেখে অৰুণে ভৱিষ্যতে এজন শিক্ষক হ'ব। তাৰ শিক্ষাৰ পোহৰে আন দহজনকো শিক্ষিত কৰি তুলিব। সন্ধিয়া মাকে কামৰ পৰাই আহি গাৰ বিষত কেঁকাই থাকে। অৰুণে নীৰৱে থাকে। কিন্তু বুজি পাই মাকে ইমান কষ্ট কেৱল তাৰ বাবে কৰিছে। সিও মাকৰ সপোন পূৰা কৰিবলৈ চেষ্টা কৰিব লাগিব। সি পঢ়া-শুনাত দিনক দিনে আগবাঢ়ি যাবলৈ ধৰিলে। এনেদৰেই দুখ-কষ্ট আৰু নানান সমস্যাৰ মাজেদি আগবাঢ়ি আহি সি এদিন বিজ্ঞান বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে।

তাৰ পাছত তাই এখন হাইস্কুলত শিক্ষক হিচাপে নিযুক্তি লাভ কৰিলে। মাকে আৰু এতিয়া আনৰ ঘৰত কাম কৰিব নালাগে। বহু বছৰ ধৰি সাঁচি ৰখা মাকৰ সপোন পূৰণ হ'ল। এতিয়া মাক আৰু অৰুণ দুয়ো সুখী।

— টিংকুমনি গগৈ
স্নাতক চতুৰ্থ ষান্মাসিক

# বন্ধুত্বৰ অনাজৰী



অন্তৰা আৰু বিসমজিম দুয়োজনী বান্ধৱী। বিসমজিম ধনী ঘৰৰ ছোৱালী। দেউতাক ইঞ্জিনীয়াৰ আৰু মাক অধ্যাপিকা। তাই তেজপুৰ বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ বৰ্ষৰ ছাত্ৰী। সিহঁতৰ প্ৰকৃত ঘৰ গোলাঘাটত। কৰ্মসূত্ৰে মাক-দেউতাক দিল্লীত থাকে। তাই তেজপুৰৰ অন্তৰাৰ মাহীয়েকৰ ঘৰতে থাকে। আনহাতে অন্তৰা অনাথ আছিল। তাই সৰু থাকোঁতেই বোমা বিস্ফোৰণত মাক-দেউতাকক হেৰুৱাই। মাহীয়েক বিধৱা আছিল। সেয়েহে মাহীয়েকৰ কোনো সন্তান নথকাৰ বাবে তাইক তুলি-তালি ডাঙৰ-দীঘল কৰে। মাহীয়েকে কোনোদিনে তাইক মাক-দেউতাকৰ অভাৱ হ'বলৈ দিয়া নাছিল। তাইও মাহীয়েকক সৰুতে 'মা' বুলি মাতিছিল। আজৰি সময়ত তাই মাহীয়েকক ঘৰুৱা কামত সহায় কৰি দিয়ে। লাহে লাহে বিসমজিমো সিহঁতৰ ঘৰৰ সদস্যৰ দৰে হৈ পৰিল। অন্তৰা আৰু বিসমজিমৰ সম্পৰ্কত দিনকদিনে বন্ধুত্বই পাতনি মেলিছিল।

অন্তৰাই বহুত ধুনীয়া ছবি আঁকিব পাৰিছিল। তাইৰ ছবিয়ে বজাৰত ক্ৰেতা-বিক্ৰেতাৰ মাজত সমাদৰ লাভ কৰিছিল। তাইও বিসমজিমৰ দৰে স্নাতকোত্তৰ বৰ্ষৰে ছাত্ৰী। দুয়োজনী একেলগে অহা-যোৱা কৰে, আবেলি একেলগে ফুৰিবলৈ যায়, ইজনীয়ে সিজনীক মনৰ কথাবোৰ খুলি কয়। দুয়োজনীৰ এই সম্পৰ্কত মাহীয়েকে মনত আনন্দ অনুভৱ কৰিছিল। অন্ততঃ তাই কাৰোবাক মনৰ ভাব প্ৰকাশ কৰাৰ সুযোগ পাইছে।

এনেদৰেই লাহে লাহে সময়বোৰ পাৰ হৈছিল । ২৪ এপ্ৰিলত ৰিমজিমৰ জন্মদিন । বান্ধৱীৰ জন্মদিনক লৈ অন্তৰা ব্যস্ত হৈ পৰিছিল । সিহঁতৰ ঘৰত এটা সৰু পাৰ্টীৰ আয়োজন কৰিলে । সেইদিনা ৰিমজিমৰ মাক-দেউতাকো আহিছিল । ৰিমজিমৰ লগৰ-বোৰো আহিছিল । দুই এক উপহাৰো দিছিল । সেইদিনা অন্তৰাৰ তাইৰ বান্ধৱীক দিবলৈ একো নাছিল । তাই নিজ হাতেৰে অংকিত ছবি এখন তাইৰ বান্ধৱীক উপহাৰ দিছিল । ছবিখনত অন্তৰাই ৰিমজিমৰ পৰিয়ালৰ এখন সামগ্ৰিক চিত্ৰ অংকিত কৰিছে । ছবি-খন কাল্পনিক যেন লগাই নাছিল ; জীৱন্ত যেনেই লাগিছিল । যিদৰে কৈছে তাইৰ ছবিত জীৱন্ত ৰূপৰ দৃশ্য ফুটি উঠে, তাইৰ চিত্ৰকলাই বিখ্যাত শিল্পীৰ চিত্ৰবিদ্যাকো ফেৰ মাৰিব পাৰিব । অৱশেষত তাই দিয়া সেই উপহাৰত ৰিমজিমে তাইক সাৱতি ধৰি কৈছিল যে - "এই ছবিখন সঁচাই অতুলনীয় । ছবিখনে মোক সোঁৱৰাব তোমাৰ স্মৃতিৰ কথা, তোমাৰ মোৰ বন্ধুত্বৰ নাজৰীজালৰ কথা । মোক এনেকুৱা উপহাৰ দিয়াৰ বাবে অশেষ ধন্যবাদ । মোৰ মা - দেউতাই দিয়া এই দামী দামী উপহাৰতকৈও দামী তোমাৰ এই ছবিখন ।"

সময়বোৰ এনেদৰে পাৰ হ'ল । অৱশেষত সিহঁত দুয়োজনীয়ে সুখ্যাতিৰে স্নাতকোত্তৰত উত্তীৰ্ণ হ'ল । ৰিমজিমে এসপ্তাহৰ ভিতৰত গোলাঘাটৰ আইতাকৰ ঘৰলৈ যাব লাগিব । তাতে তাই এখন মহা-বিদ্যালয়ত অধ্যাপিকা পদত নিযুক্তি পাইছে । অন্তৰাইও ওচৰৰ মহাবিদ্যালয়তে অধ্যাপিকাৰ বাবে সুযোগ পাইছে । দুয়োজনীয়ে ভবা মতেই নিজৰ কৰ্মসংস্থাপনৰ সুযোগ পালে । সিহঁতৰ সপোনে বাস্তৱ ৰূপ পালে । অৱশেষত ৰিমজিম ঘৰলৈ যাবলৈ ওলাল । একেবাৰে বৰষুণ দি থকাতে তাই ঘোৰাত বাধা হ'ল । সেইবাবে সখিয়া সোৱাৰ

...আকে ভাবিলে। সন্ধিয়াৰ সেই সময়ে সুস্মোজনীৰ মনতো এক ...ফোনাই টেকমুকনি কৰিলে। সিহঁতৰ চকু সেমেকি গ'ল। অশ্ৰুসিক্ত ...য়নেৰে বাগৰি অহা চকুপানীখিনি আন্ধাৰৰ সুযোগত গোপনে ... পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে ৰিমজিমে বিদায় মাগিলে। ৰিমজিমে কেতিয়াও কল্পনাই কৰিব পৰা নাছিল যে সিহঁতৰ বন্ধুত্বৰ এয়াই শেষ সাক্ষাৎকাৰ। জীৱনৰ বহুতো অভিজ্ঞতাৰ স্মৃতিৰ এনাজৰী ডাল বুকুত বান্ধিয়েই গোলাঘাট চহৰলৈ ৰাওনা হ'ল।

ৰিমজিম যোৱাৰ দুদিনৰ পাছতেই অন্তৰাৰ শৰীৰৰ অৱস্থা দুৰ্বল হৈ পৰে। জ্বৰ হোৱাৰ পিছৰ পৰাই ইমান অসুস্থ হৈ পৰিব পাৰে বুলি তেওঁ অনুভৱেই কৰা নাছিল। মাহীয়েকে ...খন নাৰ্চিং হোমত ভৰ্তি কৰাইছিল। ডাক্তৰৰ চিকিৎসাত তাইৰ ...মাৰ ধৰা পৰিল। তাইৰ তেজত কেন্সাৰ পোৱা গৈছে। সময় হাতত কম, বচোৱাটো অসম্ভৱ। কথাষাৰ গম পোৱাৰ পিছত মাহীয়েকৰ হৃদয় ক্ষণিকতে নিঃশেষ কৰি গ'ল। এনেতে আৰু এটা খবৰে মাহীয়েকক হতভম্ব কৰি পেলালে। ৰিমজিমৰ ...সৈতে মাক-দেউতাক আহি থাকোঁতে গাড়ীৰ খুন্দাত মৃত্যু হ'ল। কথমপি প্ৰাণৰক্ষা পৰিল ৰিমজিমৰ। তাইক তৎক্ষণাত নাৰ্চিং হোমত ভৰ্তি কৰালে। তাই শৰীৰৰ যথেষ্টখিনিত আঘাত পোৱাৰ লগতে চকুযুৰি হেৰুৱালে। আনহাতে মাক-দেউতাকৰ চূৰ্ণ-বিচূৰ্ণ শৰীৰহে উদ্ধাৰ হ'ল। সৎকাৰৰ সকলো দায়িত্ব মাহীয়েকে ল'লে। এই সকলো ঘটনাই অন্তৰাই জানিছি... মৃত্যুৰ দুৱাৰ মাজত ৮৮ ঘণ্টাই থকা অন্তৰাই নিজৰ চকুযুৰি

বান্ধৱী বিমজিমক দিয়াৰ সিদ্ধান্ত ল'লে। ভবামতেই কাম হ'ল। বিমজিমৰ অস্ত্ৰোপচাৰ হৈ গ'ল। তাই পুনৰ চকুৰে দেখা পালে। তাৰ ঠিক দুদিনৰ পাছতেই অন্তৰাই পৃথিৱীৰ পৰা বিদায় মাগিলে। গাড়ীৰ পৰা অন্তৰাৰ মৃতদেহ নমাই আনিলে। গাঁওবাসী কান্দোনত ভাগি পৰিল। গাঁওৰ ডেকাসকলে অন্তৰাৰ সংকাৰৰ সকলো দায়িত্ব ল'লে।

সময় কি নিষ্ঠুৰ! কঠোৰ প্ৰেমেৰে জীৱনপাত অন্তৰাৰ যেন মৃত্যু হোৱা নাই। মৃত্যু হ'ল তাইৰ শৰীৰৰ। থাকি গ'ল আদৰ্শ। কাল আন্ধাৰ নামি আহিল সিহঁতৰ জীৱনলৈ। বিমজিমে অশ্ৰুসিক্ত চকুযুৰি হাতেৰে স্পৰ্শ কৰি মনতে গুঁৰৱিলে - "তুমি জীয়াই থাকা মোৰ এই শৰীৰত। তোমাৰ ত্যাগে মোক নতুন জীৱন দান দিলে।" কাষতে নিথৰ প্ৰাণীৰ দৰে অন্তৰাৰ মৃতদেহলৈ চাই -ৰৈ থকা মাহীয়েকক ভিতৰলৈ লৈ যায়।

লাহে লাহে আন্ধাৰ নামি আহিল। তাইৰ মৃতদেহ সংকাৰৰ বাবে লৈ গ'ল। শূন্যতাৰ সেই মুহূৰ্তত কাষৰ এধাৰ গছৰ পৰা ভাঁহি আহিল ঘেঁচাৰ মাত নিউ-নিউ....


— বাবলি বেগম

# জীৱন ভূমি অনন্য

স্নেহা আৰু নিজৰা সুযোজনী গুল বান্ধৱী
আছিল। সুযোজনী দশম শ্ৰেণীৰ ছাত্ৰী। স্নেহাৰ
ঘৰৰ অৱস্থা ঠনাকিয়াল। আনহাতে, নিজৰা ঘৰৰ
অৱস্থা শোচনীয়। স্নেহাই জীৱনত অভাৱ কি আজিলৈ



কে পোৱা নাই, কিন্তু নিজৰাই সৰুৰে পৰা অভাৱৰ
মাজেৰে ডাঙৰ দীঘল হৈ আহিছে। পঢ়াৰ ক্ষেত্ৰত
স্নেহাই একো সমস্যাৰ সন্মুখীন হ'ব লগা
হোৱা নাছিল। কাৰণ দেউতাক এজন চহৰৰ
সফল ব্যৱসায়ী আছিল। দেউতাকে একমাত্ৰ
জীয়েক হোৱাৰ বাবে স্নেহাৰ সকলো অভাৱ
পূৰণ কৰে। নিজৰাই কিন্তু বহু অনাটনৰ মাজত
থাকি তাইৰ শিক্ষা জীৱন আগবঢ়াই নিছিল।



স্নেহা আৰু নিজৰাৰ হাইস্কুল
শিক্ষান্ত পৰীক্ষাৰ সময় চমু চাপি আহিছিল।
সুযোজনীয়ে ভালদৰে পঢ়া শুনা কৰিছিল। নিজৰাই
ভালদৰে অধ্যয়ন কৰিছিল যদিও তাইৰ মনত এটা
কথাই বাৰে বাৰে আমনি কৰিছিল। এই সম্পৰ্কে
স্নেহাই তাইক সুধাত তাই সকলো কথা বিৱৰি কৈছিল
যে সঠিক সময়ত তাই ফৰ্ম ফিলাপ কৰিব নোৱাৰিব
বুলি ভাবিছিল। কাৰণ দেউতাক এজন পঢ়া শুনা
নকৰা অশিক্ষিত লোক আছিল। দেউতাকে দিনে

Scanned with OKEN Scanner


যাজিবা কৰি আনি যিকেইটা টকা পায় সেইকেইটাৰে নিজৰাৰ অসুস্থ মাকক দৰৱ পাতি আনিব লগীয়া হয় আৰু যিকেইটা বাহি হয় সেইকেইটাৰে সিহঁতৰ ঘৰখন কোনোমতে চলে। নিজৰাৰ অতি বেদনাদায়ক কথা শুনি স্নেহাই এই বিষয়ত তাইক অলপ টকা পইচা দি সহায় কৰাৰ কথা কৈছিল। কিন্তু নিজৰাই লগে লগে অসন্মতি হৈছিল যে তাই আহিব সময়ত স্নেহাৰ টকা পইচা পৰিশোধ কৰিব নোৱাৰিব বুলি কাৰণ তাই এজনী স্বাভিমানী ছোৱালী আছিল। সেয়েহে নিজৰাই ফৰ্ম ফিলাপ কৰিব নোৱাৰিব বুলি ভাবি তাই ওচৰৰে মানুহ এঘৰত কাম কৰিবলৈ আৰম্ভ কৰিলে আৰু ফৰ্ম ফিলাপৰ সময়লৈকে তাই প্ৰয়োজনীয় টকাখিনি যোগাৰ কৰিলে। তাই ফৰ্ম ফিলাপ কৰি পৰীক্ষাত দিলে।

কিছুদিনৰ পাছত তাইৰ ৰিজাল্ট ওলাল। তাই পাঁচটা বিষয়ত লেটাৰসহ সুখ্যাতিৰে প্ৰথম স্থান লাভ কৰিছিল। তাই ৰিজাল্ট পাই দেউতাক আৰু অসুস্থ মাকো অতি আনন্দিত হৈছিল। তাইৰ বান্ধৱী স্নেহাইও এটা বিষয়ত লেটাৰসহ প্ৰথম স্থান লাভ কৰিছিল। এনেদৰে নিজৰাই শিক্ষা জীৱনৰ প্ৰতিটো মূল্যবান পৰীক্ষা এনেদৰে দি তাই আজি এগৰাকী ন্যায় অধিকাৰী হ'ল। আৰু তাই প্ৰথম তাইৰ মাকক চিকিৎসা কৰি

আৰোগ্য কৰি তুলিছিলে । তেওঁৰ কৃতজ্ঞতা দেখি
...ও ছোৱালীক নিজকে ভাগ্যবান বুলি ভাবিলে সে
পুনৰ ঘূৰি ৰেজনী ছোৱালী নিজৰ জীৱনকালে
পাইছে । নিজৰাই দেখিলে যে অতীতৰ সেই দুখ
যন্ত্ৰণাসমূহ পাৰ কৰি আহি আজি সুখৰ মুখ
দেখিছে । ইয়াৰ পৰা আমি বুজিব পাৰো যে
দুখ সুখৰ মাজেৰেই মানুহৰ জীৱন পৰিচালিত হয়

— মিছ তাজমিন বেগম
স্নাতক প্ৰথম ষাণ্মাসিক

# মৰমৰ বান্ধোন



সোণাপুৰ নামৰ গাঁওখনত বিস্মী আৰু ঝুমি নামৰ দুজনী বৰ মৰমলগা আৰু সং বান্ধৱী আছিল। সিহঁত দুয়োজনী পঢ়াত বৰ ভাল আছিল। বিপদে আপদে কেতিয়াও দুজনীয়ে আনজনীক সহায় কৰিবলৈ এৰা নাছিল। সিহঁত দুয়োজনীৰ মৰমৰ বান্ধোন দেখি দুয়োখন ঘৰে বৰ আনন্দ পাইছিল। বিস্মীৰ দেউতাকে ব্যৱসায় কৰিছিল যাৰ বাবে ঘৰখনৰ আৰ্থিক অৱস্থা ভাল আছিল। আনহাতে ঝুমিৰ দেউতাকে খেতি কৰিছিল যদিও পৰিয়ালটোৰ অভাৱ অভিযোগ কষ্টৰে পূৰণ কৰিছিল।


ভালদৰে পঢ়াশুনা কৰি সিহঁত দুয়োজনীয়ে নিজৰ নিজৰ ৰুচি অভিৰুচি অনুসৰি চাকৰি পালে আৰু নিজৰ নিজৰ ক্ষেত্ৰত খোজ দিলে। বিস্মী এগৰাকী ভাল অভিনেত্ৰী আৰু ঝুমি এগৰাকী ভাল ডাক্তৰ হ'ল। সিহঁত দুয়োজনীয়ে নিজক লৈ কেতিয়াও অহংকাৰ কৰা নাছিল বাবে হয়তো আগবাঢ়ি গৈছিল। নিজৰ নিজৰ ব্যস্ততাৰ মাজতো দুয়োজনীয়ে দুজনীয়ে সিজনীৰ খবৰ লৈছিল। কেতিয়াবা সময় উলিয়াই সিহঁত দুয়োজনীয়ে লগ হৈ আনন্দ কৰিছিল। সেই মৰম দেখি দুয়োখন ঘৰে আনন্দৰে ভাবিছিল যাতে সিহঁতৰ এই বান্ধোন কেতিয়াও ছিঙি নাযায় আৰু গৰ্বৰে আশীৰ্বাদ দিছিল।

— চিম্পী গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক

# উপহাৰ

বীণা সেই বিদ্যালয়খনত নতুন। শান্ত-শিষ্ট ছোৱালীজনী
ই বিদ্যালয়খনলৈ অহা দুমাহমানহে হৈছে। বীণাৰ দেউতাক
ন ইঞ্জিনীয়াৰ। দেউতাকৰ চাকৰিৰ সূত্রে পুৰণি বিদ্যালয়খন
ৰি এই নতুন বিদ্যালয়খনলৈ আহিব লগা হ'ল। বীণা
াই নাইনত পঢ়ে। দেখাই শুনাই মৰমলগা ছোৱালীজনীয়ে
কলোৰে লগত অমায়িক ব্যৱহাৰ কৰে।

এদিন পানী খোৱা ছুটীত বীণাই ক্লাছৰ
কলো বন্ধু বান্ধৱীক তাইৰ জন্মদিনলৈ নিমন্ত্রণ জনালে।
হৈলৈ দুই অক্টোবৰ। বিদ্যালয় বন্ধ থাকিব। গতিকে
ই সকলোকে সোনকালে ঘৰলৈ যাবলৈ ক'লে। নিৰ্জু
কাত্তৰ বিজয় শেষৰ বেঞ্চত মনে মনে বহি আছিল।
বিজয়কো বীণাই তাইৰ জন্মদিনলৈ নিমন্ত্রণ জনালে।




বিজয়ে কিন্তু তাইৰ কথাত একো নামাতি ওলমূৰ কৰি
হি থাকিল। বীণা তাৰ আচৰণত আচৰিত হ'ল। তাই
বিজয়ক মাত নমতাৰ কাৰণ সুধিলে। তেতিয়া বিজয়ে
োৱা বছৰ দীপ্তিৰ জন্মদিনলৈ যাওঁতে পোৱা অপমানৰ
থা বিৱৰি ক'লে। বিজয়ে বীণাক ক'লে, "তোমালোকৰ
নিচিনা ধনী মানুহৰ ঘৰলৈ আমাৰ নিচিনা দুখীয়া
মানুহবোৰ গ'লে তোমালোকৰ মান সন্মান কম থাকিব।
দামী কাপোৰ পিন্ধি দামী উপহাৰ নিবলৈ আমাৰ
সামৰ্থ নাই।" বিজয়ৰ কথা শুনি বীণাই বৰ দুখ
পালে আৰু তাই বিজয়ক ক'লে পৃথিৱীৰ সকলো মানুহ
ক নহয়। আমাৰ পৰিয়ালৰ কোনোৱেই দুখীয়া বুলি
কাকো ঘৃণা নকৰে। কাৰণ আমি সকলো এক ঈশ্বৰৰ

...মান। তুমি কিন্তু মোৰ জন্মদিনলৈ আহিবই লাগিব। লোক দামী উপহাৰ নালাগে। মোৰ জন্মদিনত প্ৰত্যেক বছৰ দেউতাই আনি দিয়া দুটা গছপুলি ৰোপণ কৰো। আমাকাৰো এইবাৰ পুলি দুটা তুমিয়েই আনিবা আৰু সেয়াই হ'ব মোৰ জন্মদিনৰ মূল্যবান উপহাৰ। ৰীণাৰ কথা শুনি বিজয়ৰ চকুযুৰি চলচলীয়া হৈ পৰিল। সি চলচলীয়া চকুৰে মূৰ দুপিয়াই সন্মতি প্ৰকাশ কৰিলে।

— প্ৰগ্যশ্ৰী গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক

# জীৱন সংগ্ৰাম

নিকুমণি এজনী খুব সহজ-সৰল আৰু মাক-দেউতাকৰ বৰ অসাধাৰণ ছোৱালী আছিল। নিকুমণিহঁতৰ ঘৰৰ অৱস্থা বৰ ভাল নাছিল। অভাৱ-অনাটনৰ মাজেৰে ঘৰখন কোনোমতে চলি আছিল। নিকুমণি পঢ়া-শুনাৰ ক্ষেত্ৰত বৰ আগৰণুৱা আছিল। ভাই সৰুৰে পৰা মনত এটা আশা পুহি ৰাখিছিল যে তাই ভালকৈ পঢ়া-শুনা কৰি চাকৰি এটা কৰিব আৰু মাক-দেউতাক, ঘৰখনৰ সকলো অভাৱ দূৰ কৰিব। নিকুমণিয়ে আশা কৰামতেই সকলো হৈ আছিল H.S.L.C পাছ কৰি H.S ও খুব ভালকৈ পাছ কৰিলে। মাক-দেউতাকে তাইক বহুত কষ্ট কৰি পঢ়াইছিল। কলেজত পঢ়োৱাৰ সামৰ্থ্য কিন্তু তেওঁলোকৰ নাছিল সেইবাবে তেওঁলোকে বৰ দুখ পাইছিল। সিহঁতৰ ওচৰে-পাজৰে যিহেতু কলেজ নাছিল সেইবাবে তাইও ঘৰৰ অৱস্থালৈ মন কৰি কলেজ নপঢ়াটোৱেই থিক কৰিছিল। সেই সিদ্ধান্ত লৈছিল যদিও তাই কিন্তু মনতে বৰ কষ্ট পাইছিল।



এনেদৰে অলপদিন পাৰ হোৱাৰ পাছত নিকুমণিহঁতৰ কাষৰ গাঁওখনৰ সম্বন্ধীয় খুড়াক এজনে তাইক কলেজত পঢ়িবৰ বাবে সহায় কৰিবলৈ আগবাঢ়ি আহিল। খুড়াকৰ কথাত নিকুমণিয়ে কলেজত পঢ়িবলৈ মান্তি হ'ল। সেই সময়ত তাই বৰ আনন্দ অনুভৱ কৰিছিলে। তাইৰ সপোন পূৰণ হোৱাৰ আশাৰ ৰেঙনি দেখা পাইছিলে।

এক সপ্তাহ মানৰ পাছত নিকুমণি ঘৰৰ পৰা কলেজত পঢ়িবৰ বাবে চহৰলৈ যাবলৈ ওলাল। তাইক চহৰৰ হোষ্টেলত

…বলে দেউতাক আৰু খুড়াককেইজন গৈছিল। মাকৰ পৰা বিদায়
…তাই চকুপানী মচি মচি ঘৰৰ পৰা ওলাই গ'ল। চহৰ
…পোৱাৰ পাছত তেওঁলোকে নিকুমণিৰ বাবে ঠিক কৰি থোৱা
…হোষ্টেললৈ গ'ল আৰু সকলো বস্তু-বাহানি ঠিক কৰি ল'লে
…ৰ পাছত দেউতাক আৰু খুড়াকে চহৰতে থকা সম্বন্ধীয় ককায়েক
…জনৰ ঘৰত ৰাতিটো কটালে। ৰাতিপুৱা দেউতাক, খুড়াক আৰু
নিকুমণি হোষ্টেলৰ সন্মুখত তিনিও জন লগ হৈ কলেজৰ কিছুমান
প্ৰয়োজনীয় কাম শেষ কৰি দেউতাক আৰু খুড়াক ঘৰলৈ বুলি ৰাওনা
…হ'ল আৰু নিকুমণিও হোষ্টেললৈ গ'ল। এনেদৰে দিনবোৰ পাৰ হৈ
…থাকিল নিকুমণি হোষ্টেললৈ অহা প্ৰায় এমাহেই হ'ল। এদিন আবেলি
নিকুমণি বজাৰ কৰিবলৈ বুলি ওলাই গ'ল আৰু তেতিয়াই কিছুমান
দুষ্ট চৰিত্ৰৰ লোকৰ কামনাৰ বলী হ'ব লগা হ'ল ফলত তাইৰ
মৃত্যু হ'ল।

নিকুমণি আৰু মাক-দেউতাকৰ বহুদিনৰ পৰা পুহি ৰখা
…কলো সপোন সপোন হৈয়ে ৰ'ল। সপোনবোৰৰ সজালি মেলোতেই
…তাই অহা এজাক প্ৰলয়কাৰী ধুমুহাই নিকুমণিহঁতৰ ঘৰখন
…নিবান কৰি উটুৱাই লৈ গ'ল।

— সুস্মিতা দিহিঙীয়া

# অনুভৱৰ সোঁৱৰণি

জীৱন এক ৰংহীন ৰামধেনু....

এই ৰামধেনুতে এমুঠি এমুঠিকৈ হেঁপাহেৰে

সাঁচো... সোণোৱালী শৈশৱৰ সপোন।

য'ত থাকে আত্মৰঞ্জন মানুহৰ পোৱা

নোপোৱাৰ, আবেগ অনুভূতিৰ আশা আকাংক্ষা

-ৰ অনুভৱৰ সোঁৱৰণিৰ সেউজীয়া পৃষ্ঠা....



# মোৰ ডায়েৰীৰ এপৃষ্ঠা

পলাশৰ "ৰঙা" কি?
আকাশৰ "নীলা" কি?

মোৰ বুকুত নিতৌ খেলি উঠা ৰঙৰ খেলা ... এবা! বে গলো কিয়? "ৰঙা" বুলি স্পৰ্শতে শিকিছো বুকুখন তাঁত কৰি লবলৈ, নাইবা কপাহ মানেই নোবাবিলেও কোমল কৰিছো; শিল যেন কঠিন হৃদয়খন ... স্পৰ্শতে লুকাই পৰিছে মোৰ অন্ধকাৰ জীৱনৰ অনুভৱ ..... কল্পনাতে কৰিছো হয়তু এনেকুৱা নাইবা তেনেকুৱা ... চাবৰ মন যায় বস্তুত ... মাথোঁ দেখো অন্ধকাৰ ছায়া মায়া ... পিৰপিৰাই কপি উঠে আঙুলি কেইটা হে .... ৰঙৰ ওপৰেৰে এইটো "ৰঙা"... এইটো "নীলা"... ।

বিঃদ্ৰঃ - হে প্ৰভু, অহাটো জনমত মোক এবেগ নিদিলেও এই পৃথিৱীখন চোৱাৰ এবাৰ সুযোগ দিবা, যাতে মই মোৰ প্ৰিয় ৰং ৰঙা আৰু নীলাবোৰ হেপাহ পলোৱাই চাব আৰু অনুভৱ কৰিব পাৰো। ....


'লাইট ইন ডাৰ্কনেছ'।

— শ্ৰীমতী সুমন পগে
স্নাতক পঞ্চম ষাণ্মাসিক

Scanned with OKEN Scanner

# ৰেডিঅ' - এক নষ্টালজিয়া

ব্যস্ততাপূৰ্ণ সময় অতিক্ৰমি যেতিয়া মন ময়ূৰী
...ই যায়, শৈশৱৰ সেই অলসতাই ধুনীয়া সময়বোৰলৈ,
...ৰ পটুৱত আপোনা ধৰা দিয়ে অনেক স্মৃতি। সেই স্মৃতিৰ
...মাজেৰে কোমলকৈ ভাহি আহে সেই মাধুৰী শব্দ, -
...আকাশবাণী। সেই সময় আছিল পঢ়িলা মোদাৰ
...আপোনাৰ পঢ়াৰত লৈ হৰি ধুটলি নাবা পেপা
...ৰাজাৰাৰ, সমনীমাৰ গীতত খেলালি, ধৰমুণত জুকলি
...হুমুৰি হোৱাৰ, আইতাৰ হেঁপেতি। বোৱা মুখৰ প্ৰেমত
...আবদ্ধ হোৱাৰ আৰু এইবোৰৰ লগে লগে সেই
...মনোমুগ্ধি মোৰ বাবে জীৱাল আৰু বনিল কৰি
...তোলা আন এটি অনুষ্ঠান আছিল আকাশবাণী ডিব্ৰুগড়।



১৯৬৯ চনৰ ২৫ ফেব্ৰুৱাৰী তাৰিখে বহুজন
হিতায়, বহুজন সুখায়" এই মহামন্ত্ৰৰে অসমৰ আকাশত
উদিত হৈছিল এক নতুন সুৰুয। সেই সুৰুযে
আজিও উদ্ভাসিত কৰি তুলিছে উজনি অসমৰ লগতে
...সীমা অৰুণাচল সীমান্ত। বহুজন গুণী জ্ঞানী
...ব্যক্তিৰ জ্ঞান আৰু পাৰিমাৰ স্পৰ্শত জীৱালি
...আৰু সমৃদ্ধ হৈ আজি 'আকাশবাণী ডিব্ৰুগড় পূৰ্ণ
...যৌৱনা, হেজাৰ শ্ৰোতাৰ সম্পাৰি, সৰস, আস্থা আৰু
...ভালপাইছে দেখি মঁ'লে পঞ্চাছটা বছৰ। এই মধুময়
...আমলী জগত হেজাৰ শ্ৰোতাৰ এজন হিচাপে
...আমাৰ হৃদয়ো আলোলিত হয় এখুমি তিনি সুকাসেৰে।

...দিয়া নাই আকাশবাণীয়ে। সময়ৰ বলুকাত খোজ দি
...বাণী? মাথোঁতে ক'ব নোৱাৰাকৈয়ে জীৱনৰ ওপৰা
...চালিত কৰি আহিছে এই কেন্দ্ৰটিয়ে। যান্ত্ৰিকতাৰ
...ৰীখনত বৰ্বৰ হৈ পৰা সমাজখনত মানুহ হোৱাৰ
...সময় দিয়াত এই কেন্দ্ৰটিৰ অৱিহণা অনস্বীকাৰ্য।
...জনত সময়ানুবৰ্তিতা সেই দিনাই উপলব্ধি কৰিছিলো
...দিনাৰ পৰা ৰুজি পাইছিলো আকাশবাণী ডিব্ৰুগড়ক।
...পুত্ৰৰ দুয়োপাৰৰ উৰ্বৰা সংস্কৃতিৰ প্ৰভাৱ
...ৰতা ভূমিকা গ্ৰহণ কৰে এই কেন্দ্ৰটিয়ে। পুৱা
৫.০০ বজাত চালি দিয়া ভক্তিসুধাৰে আৰম্ভ হয়
শ্ৰোতাৰ প্ৰতিটো পবিত্ৰ দিন। স্বাস্থ্য, কৃষি, শিক্ষা,
ৰাজনীতি, সাহিত্য, সংস্কৃতি সংগীত, লোকসাহিত্য
...সাহিত্যৰ, বিভূষিত বৰ্ণালীৰে সমৃদ্ধ এই কেন্দ্ৰ
...লৌকিক মাধ্যমক বহুল ব্যৱহাৰৰ মাজতো এক
...নিৰ্ভৰযোগ্য তথ্য আৰু বাতৰিৰ বাবে শ্ৰোতাই আশাৰে
ৰেডিঅ'টো অন কৰে। সুৰ উচ্ছৃংখলতা যি সময়ত
...চৰ্চিত বিষয় সেই সময়ত 'যুৱবাণী' নামৰ শিতানত
...প্ৰচাৰিত নৱ প্ৰজন্মৰ চিন্তা ধাৰাই সমাজ জীৱনলৈ
...এক আশাৰ ৰেঙণি কঢ়িয়াই আনে।

বৰ্তমান ৫১ টা বৰ্ষ গৰকা এই কেন্দ্ৰ-
টিয়ে পৰশ পাইছে শ্ৰীৰেণ গোঁহাই, চৈয়দ চাদুল্লা
...মোহন, কহিকীয়া, সপোনজ্যোতি ঠাকুৰ, লক্ষী দত্ত,
...ৰেণ লেখাৰু আদি অনেকজন নিজৰ নিজৰ
...ক্ষেত্ৰত উজ্জ্বল হৈ জিলিকি উঠা ব্যক্তিৰ। এই
কেন্দ্ৰটিয়ে অসমৰ জাতীয় জীৱনলৈ অদ্ভুতপূৰ্ব
অৱদান আগবঢ়োৱাৰ লগতে বহুজনৰ জীৱন প্ৰভাৱিত

...ৰ আহিছে।

মই মোৰ অনুভৱেৰে এই কথা স্পষ্টকৈ কব পাৰো যে আকাশবাণী ডিব্ৰুগড় মোৰ অনন্য বন্ধু তথা মোৰ জীৱন যাত্ৰাৰ এক অবিচ্ছেদ্য অংগ। 'আকাশবাণী ডিব্ৰুগড়ৰ ওচৰত বহুজনৰ দৰে আমিও চিৰকৃতজ্ঞ। সময়ৰ অপ্ৰতিহত কাৰোবাৰ বাবে 'ৰেডিঅ' অৱহেলিত হ'লেও এই কথা ঠিক যে ৰেডিঅ'ই দিয়া মাদকতা আৰু উপকাৰিতা অন্য কোনো মাধ্যমে দিব নোৱাৰে। শেষত জয়তু আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰ

— পপী গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক


# কবিতা কানন .....

কবিতা যেন আন একো নহয়। হৃদয়ৰ স্বচ্ছ নদীখনে যেতিয়া জীৱনৰ প্ৰতিটো সংঘাতৰ ৰঙীণ গ্ৰেনাইটত খুন্দা খাই ফিৰি যায়। তেতিয়াই সৃষ্টি হয় শব্দৰ অনুনাদ। এই অনুনাদে হৃদয়ৰ নিভৃত কোণত নিমন্ত্ৰণ জনাই সৃষ্টি কৰে কবিতাৰ।




# শিৱসাগৰ ছোৱালী কলেজ

মহাশূন্যৰ মহাকাশৰ তলত,
সৌন্দৰ্যমণ্ডিত তুমি শিৱসাগৰ ছোৱালী কলেজ
তুমি প্ৰতিষ্ঠাতাৰ স্বপ্ন নিকুঞ্জ
তোমাৰ স্বপ্ন আছিল,
নাৰীয়ে গঢ়া এখনি নিকা সমাজৰ
য'ত থাকিব শিক্ষা আৰু সংস্কৃতি
এক সুন্দৰ সংমিশ্ৰণ।
তোমাৰ উমেৰে প্ৰাণৱন্ত
তোমাৰ ছাত্ৰীৰ দোপাটীৰ দৰে [illegible]
মৌজীয়া প্ৰাণবোৰে
তোমাৰ স্বপ্নক ৰূপ দিলে [illegible]।
পুষ্প ৰেণুৰ দৰে বিয়পি পৰিল
তোমাৰ মিঠা সৌৰভে।
কত দিন, কত মাহ, কত বছৰ
বাগৰি গ'ল তোমাৰ বুকুৰে
অথচ তুমি একে আছা।
তোমাৰ অৱয়ত অতলীয়া হোৱা
নিত্য নতুন প্ৰাণ,
পৃথিৱীৰ সমস্ত সৌন্দৰ্যৰাশি
তোমাৰ বুকুত বুটলিবলৈ আপোনৰ
মায়াজাল ৰচি আকৌ হ'ব যাত্ৰা।
নতুন ছাত্ৰী এদলৰ আৰু
তুমি দুহাত মেলি আকোঁৱালি ল'বা
কাৰণ আমি যে তোমাৰেই সন্তান,
আমি গাম চিৰদিন
তোমাৰ বুকুত তোমাৰেই জয়গান
প্ৰিয় শিৱসাগৰ ছোৱালী কলেজ। — জ্যোতি গগৈ
স্নাতক চতুৰ্থ ষাণ্মাসিক



# শৰতৰ অপেক্ষাত



বহুদিন হ'ল তোমাক নেদেখা
চাওঁ বুলিও চাব পৰা নাই
কওঁ বুলিও ক'ব পৰা নাই
মৌন হৃদয়ে দিয়া
গুণ গুণ প্ৰেমৰ বতৰা

হৃদয়ৰ নিভৃত কোণত
সাঁচি ৰখা মৰমবোৰে
আজি বৰকৈ বিচাৰে
তোমাক নিৰৱতাৰ মাজত ......

জোনাকীৰ জিলমিল পোহৰত
তোমাৰ ৰূপৰ ঝুলনাৰে
মোক কৰি তুলিছে দুৰ্বল

কওঁ নকওঁকৈ কোৱা
তোমাৰ মিঠা কথাবোৰে
মোৰ মনৰ মাজত
জ্বলাই দিছে প্ৰেমৰ শলিতা ......

যাওঁ নাযাওঁকৈ দিয়া
তোমাৰ কোমল খোজে
দি যায় মোক
শেৱালিৰ মিঠা সুবাস ......

আজি শৰতৰ নিজান ৰাতি
জোনাকীৰ জিলমিল পোহৰে
জিলিকাই তুলিছে
মোৰ মনৰ নিজৰাত যি অহা
আশাৰ হেঙুলীয়া কণিকা ।

মনত পৰিছে তোমালৈ
ওবাৰ হবে জিৰবিৰাই থকা
তোমাৰ সতেজ স্বচকুত
যুগলি ডিঙি গোলাপৰ পাহিবোৰলৈ.......

আকাশী লতাৰ দৰে যি পৰা
তোমাৰ দুলিয বেণীৰে
আজি মোক সপোনত আমনি কৰিছে ।

সাৰো নামাবোৰিক মৰা
মিচা হাহিটিয়
মোক টলি যায়
স্মৃতিৰ শেৱালি শোপা ফুটলিবলৈ ......

সঁচাকৈ কিমান যে দিন হ'ল
তোমাক নেদেখা .....
এদিন, এসপ্তাহ, এমাহ নে এবছৰ .....
নে তাতোতকৈ বহু বেছি ....
তথাপিও,
তোমালৈ মোৰ ভাল পোৱা
সেই একেদৰে আছে

প্ৰিয়ও নিদিবা হেৰাই যাবলৈ
আমাৰ প্ৰেমৰ পবিত্ৰতা
নিদিবা হেৰাই যাবলৈ
আমাৰ গোলাপৰ মিঠা সুবাস
ধৰি ৰাখিবা হৃদয়ৰ নিভৃত কোণত
সেই জীয়া প্ৰেমৰ মিঠা অনুভৱ।


প্ৰিয়ম আমি দুয়ো
লক্ষৰ সন্ধিয়া জিলমিল জোনাকীৰ
কোমল পোহৰত।......

— সুমন গগৈ
স্নাতক পঞ্চম ষাণ্মাসিক

# লুইতৰ চাপৰি কনেং

লুইতৰে চাপৰি কনেং ঐ ?
ৰিব্ ৰিব্ মলয়া বতাহ আৰু
গুলি জালি নচা নল খাগৰিৰ
কমুৰা পোমি মন উৰা আৰে,
ঐনিতমৰ সুৰত বাজি উঠা চাপত
তাহানিৰ তোমাৰ নাচোন ।
হিয়া উপচি অনুভূতি উথলি হয়
তোমাৰ চিকনাত ।

উজাগৰী নিশাৰ অন্তত
নিয়ৰৰ চেঁটা মুকুতা সাৰে,
লুইতৰ বুকুত চিকনাবিহীনতাই
সৃষ্টি কৰে অশ্ৰু নিয়ৰত
ভিজা ঐনিতমৰ গান ।



অনুৰাধা পাংগিং
দ্বিতীয় ষাণ্মাসিক

Scanned with OKEN Scanner

# মোৰ অনামী বন্ধুলৈ

মোৰ অনামী বন্ধু
দুখবোৰ ঢাকি থোৱা
সকল দু সমস্যৰ সৈতে বান্ধি
পাহৰা বতাহৰ সৈতে মিতিৰালি পতা হিয়াখনি
আজি একেবাৰে ঢিকা



কোন আই তুমি ?
কেনেকি গগনচুম্বী
শক্তিৰ ব্যক্তিত্বশালী
তোমাৰে লুতুৰি পুতুৰি
মোৰ অনামী বন্ধু !


মোৰ অনামী শব্দবোৰ অতি দোদাৰা ।
জীৱনটোৱেই যাৰ আধৰুৱা
এপাহা তেজাল মদাৰ
দুখ নকৰিবা বন্ধু
হৃদয়ৰ বেদনাত ভাঙি পৰিল
আশাশীল মৃত্যুৰ তীব্ৰ জীজ্ঞাসা

— মুনমী শইকীয়া
স্নাতক তৃতীয় ষাণ্মাসিক

Scanned with OKEN Scanner

# স্মৃতি

আঘোণ মাহৰ ৰৌদ্ৰজ্বল পুৱা
কোমল বতাহ জাক অহি গাত লাগিলেই
মনত পৰে মোৰ গাওঁখনিলৈ
এই বতাহজাক মোৰ শৈশৱৰ চিনাকি
দুচকুত অযুত সপোন আৰু আশা লৈ
মোৰ সৰমৰ গাওঁখনিলৈ আঘোণ আহে
সোণোৱালী পথাৰখনত দূৰৰ পৰা জিলিকি উঠে-
দাৱনীৰ মূৰত গামোচাৰ পাক।
তাৰ মাজতে থাকে মোৰ আই।
পকা ধানৰ সৰু সৰু আলিৰ মাজে মাজে
দৌৰি যাওঁ আইক বিচাৰি।



কাচিৰ কেচ কেচ, ধানৰ জিৰ জিৰ শব্দ
আজিও কাণত বাজি উঠে
নৱাৰ মাজে মাজে আই মোৰ কাষলৈ আহে
মই চাই ৰওঁ আইৰ ৰঙা পৰা মুখখন
উজ্জ্বল চকুযোৰ।
আইৰ মুখখন দেখিয়েই মই পাহৰি যাওঁ,
মোৰ যে কোমল ভৰিত ধানৰ পাতে কাটি থৈছিল,

আজলি আইজনীয়ে নখাৰ মাজৰ পৰা
বন এজাল চিপি হাতেৰে মুচৰি
মোক দূৰব বুলি কৈ মৰমেৰে লগাই দিছিল।
তেওঁৰ হাতৰ স্পৰ্শতেই মোৰ বিষ আঁতৰিছিল।
কিমান যে প্ৰশান্তিকৰ আছিল সেই দিনবোৰ
আৰু আজি .............?
আজি মই হেৰাই গৈছো যান্ত্ৰিকতাৰ মাজত-
প্ৰতিযোগীতাৰ সোঁতে কঢ়িয়াই দূৰ পোৱালেগে
ৰৈ গ'ল আশা ভৰা কিছু স্মৃতি।

– অনামিকা গগৈ
স্নাতক প্ৰথম ষান্মাসিক

# আমাক এটা বিস্ফোৰণ লাগে

আমাক এটা বিস্ফোৰণ লাগে
য'ত ক্ষাৰ বাৰুদৰ গোন্ধ নাথাকে
নাথাকে সৰ্বনাশ আৰু ৰক্তৰ ভয়াবহ মিছিল
আমাক এনে এডাল শিকলি লাগে
যি শৃংখলাৰ সূত্ৰ দিব পাৰে
হাতত হেণ্ডকাফ লৈয়ো
কলম ধৰিব পাৰে
কৃষক বনুৱাই পোহৰৰ সপোন
ৰচিব পাৰে ।
আমাক এটা বিস্ফোৰণ লাগে
যি স্বাধীনতা আৰু আত্মবিশ্বাস
কৃষক হজুৱাক দিব পাৰে ।
অস্তিত্ব, ভাষা, বাক স্বাধীনতা
বিচাৰি শ্বহীদ হব নালাগে
আমাক এটা বিস্ফোৰণ লাগে
আমাক এটা বিস্ফোৰণ লাগে ।
যি বুজাব পাৰে
হাতত মৰণাস্ত্ৰ থাকিলেই




সন্ত্ৰাসবাদী নহয়,
হাতত কলম থাকিলেই
লেখক বুদ্ধিজীৱী নহয়,
ৰাম নাম জপ কৰিলেই
সাধু সন্ত নহয়,
সাধাৰণ ললেও এটা সুস্থ মন আৰু
সুস্থ চেতনাৰ বাহক হব পাৰে
আমাক এটা বিস্ফোৰণ লাগে।
যি ভয়ংকৰ শব্দৰ পৰিৱৰ্তে
চৰাইৰ কিৰিচ মিৰিচ শব্দত
পুৱাৰ বতৰা দিব পাৰে
তেজৰ পৰিৱৰ্তে শান্তিৰ বাণীৰে
আকাশ সজ্জিত কৰিব পাৰে
আমাক এটা বিস্ফোৰণ লাগে

— শ্ৰী প্ৰীতী ছবিতা পাগে
স্নাতক প্ৰথম ষাণ্মাসিক

## সপোন

আশা কৰা সপোনবোৰ ৰচি নিলে কোনোবাই
আশাৰ অশ্ৰুময় কৰুণ কাহিনীৰে ভৰা
মই বিচৰা সপোনবোৰ সফল নহ'ল
হ'ল এক অমাবিল সৃষ্টি
যেন মোৰ বুকুত কোনোবাই
হাতুৰীৰে কোবালে ।
আৰু মোৰ হৃদয়ৰ
আপোনাত জ্বলালে জুই
আইতাৰ কৰুণ হাঁহি মিঠা মাতে
দিয়ে মোক সুখৰ ৰাগিনী
অতীতত স্মৃতিয়ে দিয়েহি
মোৰ হৃদয়ত তীব্ৰ বেদনা
আইতা মৃত্যুৰ পাছতো
দিয়েহি মোক দুখৰ আগজাননী
চেনেহৰ বান্ধোনেই হ'ল এটা পৰিয়ালৰ সৃষ্টি
মা-দেউতা, ভাই-ভনীৰ সৈতে
মিলি জুলি দিন কটাব পৰাই হ'ল
এক আশাৰ সপোন ...........।



— নমী দাস
স্নাতক প্ৰথম ষাণ্মাসিক

# এজাক সপোন আৰু অলপ অনুভৱ

সপোনৰ বাটেদি হৈ
মই চিঙি আনো
আকাশৰ তৰা
সপোনৰ বাটেদি হৈ মই ভ্ৰমি ফুৰো
গোলাপৰ বাগিচা ,
যেন উৰি আহি বিচাৰি ফুৰো
অহৰহ
মোৰ পাখি লগা আশাবোৰৰ ঠিকনা



মোৰ জীৱনত তুমি
জোন হৈ জ্বলিবা
মোৰ সপোনৰ বুকুত তুমি
ৰাজকুমাৰ হৈ আহিবা
জানো....
মই ভুল কৰা নাই ভাল পাই তোমাক
তুমিতো নাজানো
তোমাৰ ভালপোৱাই যে
কেনেকৈ সজাই তোলে
মোৰ তিক্ত জীৱনৰ
বিশৃংখল টোপাল .....

সপোনত তুমি আহা এজাক বৰষুণ হৈ
আৰু ,
মই তিতি জুৰালি জুপুৰি হওঁ

Scanned with OKEN Scanner

সেই নিঃশব্দ অনুভৱৰ শিহৰিত.....
সপোনৰ ভালপোৱা প্ৰেমৰ বৰষুণত
যিদিনা তিতিছিলো তোমাৰ স'তে
বুকুত মৰমৰ টোপোলাটিক আকুতি
ভালপোৱাই নিপাজিকৈ দিই গ'লে ....
বিচাৰি পালো মোৰ জীৱনৰ অৰ্থ....
জীৱনৰ এক নতুন দিগন্ত
কিন্তু! বাস্তৱ ক'ব জানো ?

— জ্যোতিষা চেইন
প্ৰাক্তন ছাত্ৰী

# নিলিম আকাশৰ এটি তৰা

নিলিম আকাশৰ এটি ধুমুহা
নির্মল হৃদয়েৰে আকোঁৱালি লৈ
লুইতৰ পাৰত,
এটা ৰাতিৰ মধুৰ স্মৃতি ধুমুহাত
যিজাক ধুমুহাক সপোনৰ জগতে
অনুভৱো কৰিব নোৱাৰিব ।
অথচ সপোনৰ কল্পনাৰ মাজত
তেওঁলোকৰ নিজস্ব সপোনবোৰত
এইজাক ধুমুহাই আলোড়ন তুলি,
জোকাৰি যায় সপোন, কল্পনাৰ
এক আবেগিক অনুভৱৰ দোলনিৰে ।

শ্ৰীমতী অনুৰাধা পাংগিং
স্নাতক পঞ্চম ষান্মাসিক।

# এমুঠি অনুভৱ

ৰাতি জিলিকিছে তিৰ্ বিৰ্ চিৰ্ চিৰ্,

অকণ অকণ মুকুতা মণি ।

কোনবা ৰমণীৰ নৃত্যৰ পাকত

পাৰিলে হাৰ গল ছিঙি ।

বুটলি মুঠিত আনিবৰ খোজো

কিন্তু ! ই দেখোন হাতত নৰয় ।

কিয়ে এইয়া অদ্ভুত লীলা

নিশ্চয় এই মুকুতা তুমিয়ে সৰজা

ঠিক তোমাৰ দৰেই মুকুতাবোৰ

সপোনত আহি ধঁৰা দিয়া


দিঠকত কিন্তু বিচাৰি নাপাওঁ ।

তোমাৰ অস্তিত্বক লৈ প্ৰশ্ন উঠে ,

কিন্তু মই জানো তুমি আছা

পৃথিৱীৰ প্ৰতিটো কোণতে

তুমি লুকাই আছা



Scanned with OKEN Scanner

গছৰ পাতেও তোমাৰ মহিমাৰ পৰিচয় দিয়ে

তুমি নিৰাকাৰ কিন্তু তুমি আছা ।

শ্ৰীমতী ভৱানী লাহন

স্নাতক তৃতীয় ষান্মাসিক ।

Scanned with OKEN Scanner

# নদী : এক প্ৰেমৰ সুঁতি

নিৰ্জনভাৱে , নিৰ্ভীকভাৱে
বৈ থাকা তুমি
প্ৰেম নামৰ নদীখনি হৈ
তোমাৰ আশাৰ আঁচলেৰে
নিগৰিত হয় আভিধানিক শব্দবোৰ
যত পোৱা যায় সৃষ্টিৰ জোৱাৰ ,
অনুপম হৈ পৰে মিঠা
সেই কুলু , কুলু শব্দবোৰ
বিচাৰি পাওঁ অতীত নামৰ স্মৃতিবোৰ ।
হাবাথুৰি খাওঁ তোমাৰ পৰশৰ বাবে . . .
তুমিতো বৈ থাকা
বাৰিষাৰ প্ৰথম জাক বৰষুণৰ বাবে
আৰু মই বৈ থাকোঁ
বাৰিষাত তিতিবুৰি খোৱা
নদীখনিৰ পাৰবোৰৰ কাষত

কিতাপনিকা পাণ্ডু এ

আৰু থকা সুমধুৰ সময়বোৰক

সময় পাহৰি যায়

সকলো অতীত হৈ যায় ....

কিন্তু নদীখনি একেই থাকে

প্ৰেমৰ সুঁতি হৈ ....

অনেক গোৰাৰ আছে ;

কিন্তু অৱশ্য হৈ পাৰে

নদীখনি মমকি নৰয়

প্ৰেম হৈ বৈ যায় .... ।

শ্ৰীমতী পূজা গগৈ


প্ৰাক্তন ছাত্ৰী ।

# এৰি অহা কলেজৰ দিনবোৰ

আমি এৰি আহিছো
কলেজৰ উজ্জ্বল দিনবোৰ
নিজতকৈও যেন আপোন পাইবা সময়বোৰ
দুচকুত সপোনলৈ আমি সকলোৱে
ছাঁ এটি খোজে খোজে
খোজ দিছোঁ ।
পিয়াহত আতুৰ কণ্ঠ
আমি সকলো একেজনীকে
মুক্ত বতাহী চৰাই ,
গোপনীয়তা ভাঙি বহু দূৰ
উৰি যাম ,
মাথোঁ উৰি যাম বহু দূৰ
কোনেও নজনাকৈ
সময়ে আৰেৰি ৰখা
অতীতৰ সেই দিনবোৰলৈ .... ।

মিচ্ চাজমিন বেগম
স্নাতক প্ৰথম ষাণ্মাসিক ।

# সুবাস বিচাৰি

এসময় শেৱালিৰ সুবাস বিচাৰি
বাৰে বাৰে যাওঁ হাবাথুৰি
কাতিৰ কপালতাক লৈওঁচি
চমাল কুঁৱলীৰ আঁৰ লৈ
আঘোণৰ সোণগুটি চপাবলৈ

সংগ্ৰামৰ দুখ আহৰি,
হয় খেতিয়কৰ ব্যস্ততা বাঢ়িল,
ফাগুনৰ বোকা মাটিৰ গোন্ধ
অ'ৰালিত দেউতাই মোক দিছিল
মনত আছে, কিন্তু সিও আজি
অতীতৰ কাহিনীত বন্দী।
পাহৰিলোঁ বেকাৰ কান্ধত
বিৰিয়া নূৰে, আৰু নূৰে নাঙল
চিনি নাপাই পাহেকৰে আজি
পথাৰৰ মাদকতাৰ ৰহস্য।
ফাগুনৰ হালোৱা, বোৱনীৰ
বোকাৰ গোন্ধ, সোণগুটি আদৰা
দাৱনীৰ হাঁহি এই সকলো
এইদৰেই লাহে লাহে আধুনিকতাৰ
মাজত সাধু হৈ ৰব ....।

— দৰদী গোঁহাই
স্নাতক ষষ্ঠ ষাণ্মাসিক

# শিৱসাগৰ : স্বপ্নৰ মিলনভূমি



ৰঙীণ পদূলিবোৰে শিৱসাগৰক চিনি পায়
গ্ৰীষ্মৰ আবেলিবোৰে অনুভৱ কৰে ইয়াৰ সুবাস
অথবা আলহী পখীবোৰে হৃদয়েৰে গ্ৰহণ কৰে
শিৱসাগৰৰ আন্তৰিক আতিথ্যক ।
অলেখ দিনৰ সপোন সাৰুটি
নীৰৱে শুই থাকে শিৱসাগৰৰ দৌপাশ
অতীতৰ বুৰঞ্জী কয় শিৱসাগৰে
প্ৰেমৰ অনেক জীয়া কাহিনী কয় শিৱসাগৰে ।
মানুহ হোৱা সপোন দেখা কত তৰুণৰ
কথা কয় শিৱসাগৰে ।
এক হোৱা সপোন দেখা অনেক
প্ৰেমিকাৰ কথা কয় শিৱসাগৰে
পুখুৰী অথবা দ'ল দেৱালৰ বাদেও
ইয়াৰ নিজস্ব পৰিচয় আছে –
শিৱসাগৰ স্বপ্নৰ মিলনভূমি যিহেতু ,
সপোনৰ প্ৰাপ্তি অপ্ৰাপ্তিয়েই জীৱন ।

শ্ৰীমতী দীপামণি গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক

Scanned with OKEN Scanner

# বিদায় অনুভৱৰ দলিচাত

বিদায় মৌন বেলা
উজুপি উঠিছে কিয় হৃদয়ে
এইয়াটো আকাশৰ নীলাত
সপোনৰ ৰংসনা বিদায় ।

বিদায় মৌন বেলা
নিগৰিছে কিয় দুচকুত
অশ্ৰুৰ নিজৰাৰ জিৰজিৰণি
এইয়ে বিদায়
সাগৰৰ বুকুত সপোন ৰচা বিদায় ।



বিদায়,
সময়ৰ বুকুত বৈ থকা
গতিশীল নদীৰ সুতি
চিৰন্তন চলিত তেজস্বী অশ্ব
ক্ষণবোৰ স্মৃতিৰ সেউজীয়াত
লিপিবদ্ধ থোৱা ধূসৰিত পৃষ্ঠা ।

Scanned with OKEN Scanner

এই বিদায় মৌন বেলাত
কিয় বাঢ়ি উঠিছে
সোঁৱৰণিৰ সেমেকা বাঁহী
অশ্ৰুসিক্ত হৃদয়ত কিহে
তোলপাৰ লগাইছে
হেৰুৱা দিনৰ সুবাস বিচাৰি ।

চৌপাশে কিয় উদুপি উঠিছে
স্মৃতি নামৰ নষ্টালজিক অনুভূতিক সাৰটি
অনুভৱৰ মাথো বিদায় ক্ষণত
প্ৰাপ্তি অপ্ৰাপ্তি
আনন্দ আৰু বিষাদ ।

বিদায় মাথো বিষাদ নহয়
ই স্মৃতিৰ দলিচাৰে এপাহি
সজীৱ ফুলৰ পাহি ।

সুমন গগৈ
স্নাতক পঞ্চম ষান্মাষিক ।

Scanned with OKEN Scanner

# ড° এ.পি.জে আব্দুল কালামৰ কেইটামান মহৎ বাণী

১. শ্ৰেণী কোঠা এটা বীজ, সমাজ হৈছে তাৰ অংকুৰণ।

২. যিমান পঢ়িবা, তাতকৈ বেছি খেলিবা।

৩. সৰু সৰু সপোন দেখিবা, তাওঁৰ কাম কৰিব পাৰিবা।

৪. সমস্যা যত জীৱন উদ্দীপন তাতেই।

৫. সমাজ পৰিবৰ্তন কৰিব পাৰে পিতৃ-মাতৃ আৰু শিক্ষকে।

৬. জীৱনৰ জটিলতাই ধৈৰ্য্যক পৰীক্ষা কৰে।

৭. আনক পৰাস্ত কৰাটো বৰ সহজ। কিন্তু আনৰ অন্তৰ জয় কৰাটো খুবেই কঠিন।



৮. আত্ম-বিশ্বাস থাকিলে ব্যৰ্থতাই তোমাক ব্যাহত কৰিব নোৱাৰে।

৯. জীৱন এক জটিল খেল। অধ্যৱসায়ৰে এই খেলত জয়ী হব পাৰি।

১০. বৰষুণ আহিলে সকলো চৰায়ে আশ্ৰয়ৰ বাবে স্থান বিচাৰে। কিন্তু বৰষুণ নেওচি মেঘৰ ওপৰলৈ ঈগল উৰি যায় আকাশলৈ।

মিচ্ বাবলি কোম
স্নাতক প্ৰথম বিভাগ

# মহৎ লোকৰ বাণী


১. সংস্কৃতি হৈছে একপ্ৰকাৰৰ জীৱন পদ্ধতি। সংস্কৃতি সভ্যতা নহয়, সভ্যতাও সংস্কৃতি নহয়।

— হেম বৰুৱা

২. সময়ৰ জোখ কামতহে, ঘড়ীৰ কাঁটাকেইডালত নাই।

— বাগ্মীবৰ নীলমণি ফুকন

৩. অন্যায় শেষ কথা কিন্তু নিজক শেষ কৰি নহয়।

— প্ৰেম চাঁদ।

৪. ৰূপান্তৰেহে মাথো জগত ধুনীয়া কৰে।

— জ্যোতিপ্ৰসাদ আগৰৱালা।

৫. নজনাটো লাজৰ কথা নহয় শিকিবলৈ যত্ন নকৰাটোহে লাজৰ কথা।

— বেঞ্জামিন ফ্ৰেংকলিন

৬. বহু কথা জনা জনকেই জ্ঞানী বুলি নকয়, জনা কথাক যথাযথ প্ৰয়োগ কৰিব পৰা জনহে জ্ঞানী।

— লেনিন

৭. আমি যি জানো সি অতি সামান্য। আমি যি নাজানো তাৰ সীমা নাই।

— পাৰলেচ

৮. অতীত আৰু বৰ্তমানক লৈ তৰ্কত লিপ্ত হোৱাতকৈ অৰ্থহীন কথা আৰু একো নাই। কাৰণ তাৰ পৰা আমি হেৰুৱাও আমাৰ বৰ্তমানক।

— উইনষ্টন চাৰ্চিল

৯. আনক সমালোচনা কৰিবলৈ যোৱাৰ আগতে নিজক সমালোচনা কৰা। নিজে শুদ্ধ আৰু পৱিত্ৰ হ'ব পাৰিলেহে আনৰ বিষয়ে মতামত দিয়াৰ যোগ্যতা অৰ্জন কৰিব পাৰিব।


— চক্ৰেটিচ

১০. কোনোৱে তোমাক সহায় কৰিব নোৱাৰে নিজেই নিজৰ সহায় লোৱা।

— বুদ্ধদেৱ।

সংগ্ৰহক
মাহমুদা চুলতানা
স্নাতক পঞ্চম ষান্মাসিক

Scanned with OKEN Scanner



# কুইজ

১. প্ৰথম নোবেল বঁটা লাভ কৰা ভাৰতীয়জন কোন?

উঃ- ৰবীন্দ্ৰনাথ ঠাকুৰ।

২. ভাৰতৰ আটাইতকৈ পুৰণি নাম কি?

⇒ জম্বু দ্বীপ।

৩. পোন প্ৰথম বাৰৰ বাবে ক'ত আৰু কেতিয়া অস্কাৰ বঁটা প্ৰদান কৰা হৈছিল?

⇒ ১৯২৯ চনৰ ১৬ মে'ত হলিউডৰ হোটেল ৰুজভেল্টত।

৪. পৃথিৱীৰ আটাইতকৈ বেছি চেঁচা ঠাইখনৰ নাম কি?

⇒ ভাৰখোবানক্স।

৫. 'এছিয়াৰ নবেল' বুলি কোনটো বঁটাক কোৱা হয়?

⇒ ৰমন মেগছেছে বঁটাক।

৬. ভাৰতৰ আটাইতকৈ দীঘল আলিবাটটোৰ নাম কি?

⇒ গ্ৰেণ্ড ট্ৰাংক ৰোড।

৭. পৃথিৱীৰ বৃহত্তম জলপ্ৰপাতৰ নাম কি?

⇒ নায়েগ্ৰা।

Scanned with OKEN Scanner

৮. ইছৰৰ চোহতীয়া অভিযান চন্দ্ৰযান -২ ৰ নিৰ্দেশনাৰ দায়িত্বত থকা প্ৰথম মহিলা নিৰ্দেশক কোন?

→ মুথেয়া বনিতা।

৯. ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰখ্যাত গীতিকাৰ পৰিচালক দলৰপ নামে সংগীত দিয়া প্ৰথম অসমীয়া চলচ্চিত্ৰখন কি?

→ ঘেন্দুৰ

১০. অসমত প্ৰথম আনুষ্ঠানিক লোক-প্ৰিয়ল কোনে কৰাইছিল?

→ চুহুংমুং দিহিঙীয়া ৰজাই।

১১. ভাৰতৰ প্ৰথম ইংৰাজী বাতৰি কাকতখন কি?

→ বেংগল গেজেট।

১২. ফেমিনা মিচ্ ইণ্ডিয়া ২০১৮ বৰ্ষৰ খিতাপ কোনে লাভ কৰিছিল?

→ Anukreethy Vas তামিলনাডু।

১৩. অৰ্জুন বঁটা বিজয়ী দ্বিতীয় পৰাকী অসমীয়া কোন?

→ মনালিছা বৰুৱা মেহতা।

সংগ্ৰহক

মাহমুদা চুলতানা

স্নাতক পঞ্চম ষাণ্মাসিক

Scanned with OKEN Scanner

* জানিবলগীয়া কিছুমান সৰু সৰু কথা —

① বৈদ্যুতিক মাধ্যমত প্ৰচলিত প্ৰথম অসমীয়া আলোচনী হ'ল — ২০১০ চনৰ ১৩ মাৰ্চ তাৰিখে হিমজ্যোতি তালুকদাৰৰ মুখ্য সম্পাদনাত প্ৰকাশিত "এনাজৰী।"

② অসমৰ ভাষাৰ প্ৰথম সামগ্ৰিক আলোচনা পোৱা যায় জৰ্জ আব্ৰাহাম গ্ৰীয়াৰ্ছনৰ "Linguistic Survey of India" নামৰ গ্ৰন্থত। এই গ্ৰন্থত ১৯০৩ চনৰ পৰা ১৯২৭ চনলৈকে ভাৰতবৰ্ষত ১৭৯ টা ভাষা আৰু ৫৪৪ টা উপভাষাৰ বিৱৰণ দাঙি ধৰিছে।

③ প্ৰথম অসমীয়া ভ্ৰমণ কাহিনী ১৯৩৯ চনত প্ৰকাশিত জোনাভিৰাম বৰুৱাৰ "বিলাতৰ চিঠি"।

④ ১৯৫৬ চনত ডিব্ৰুগড় অসম সংগীত নাটক একাডেমীয়ে আয়োজন কৰা সংগীত প্ৰতিযোগিতাত কণ্ঠশিল্পী দীপালী বৰঠাকুৰে শিৱসাগৰৰ গেৰুজীয়া সংগীত বিদ্যালয়ৰ পৰা যোগদান কৰি শ্ৰেষ্ঠ গায়িকা পদক পায়।

⑤ "দি লায়ন কিং" নামৰ চিনেমাখন শ্বেইক্সপীয়েৰৰ নাটক "হেমলেটৰ" আধাৰিত। এইখন জুলু ভাষালৈ ভাঙনি কৰা প্ৰথমখন ইংৰাজী চিনেমা।

⑥ চিকিৎসা বিজ্ঞানত ব্যৱহৃত ভেকচিনেচন শব্দটো লেটিন ভাষাত সৰু বুজোৱা ভেক্কাৰ পৰা আহিছে।

(৭) ১৯৩৫ চনত কলিকতা অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰ হোৱা অসমীয়া ভাষাৰ প্ৰথমখন নাটক হ'ল প্ৰফুল্লচন্দ্ৰ বৰুৱাৰ "বীণবৰাগী"।

সুমন গগৈ

স্নাতক পঞ্চম ষাণ্মাষিক ।

Scanned with OKEN Scanner

# অসমীয়া সংস্কৃতিত কলখাৰ

অতীজৰে পৰা অসমীয়া জন জীৱনত কলখাৰে বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। এই কলখাৰ কলগছ, এৰাগছ বিশেষকৈ ভীমকলৰ গা-গছ টুকুৰা টুকুৰ কৰি কাটি তলে ৰ'দত শুকুৱাই প্ৰায় সাত দিনমানৰ পাছত জ্বুই জ্বলাই পুৰি তৈয়াৰ কৰা হয়। এনেদৰে তৈয়াৰ কৰা কলখাৰ বিভিন্ন ধৰণেৰে ব্যৱহৃত হয়। যেনে খোৱাৰ শিৰত, কাপোৰ ধোৱাত, ৰোগৰ উপশমৰ বাবে অসমীয়া প্ৰসাধনত কলখাৰে বীজাণুনাশক কাৰে। কলখাৰৰ অনেক উপকাৰিতাৰ ভিতৰত অত্যাধিক সেৱনে শৰীৰ অপকাৰ কৰাৰ সম্ভাৱনা আছে। সেয়ে লুপ্তপ্ৰায় কলখাৰৰ ব্যৱহাৰ উপযুক্ত মাত্ৰাৰে কৰা উচিত।

— ৰূপী গগৈ
প্ৰাক্তন ছাত্ৰী।

* টেঙা- কচু, গাহৰি মাংসৰ জুতিৰ থালিখন ——

উপকৰণ : ভাত, টেঙা কচুৰ গাহৰি মাংসৰ আঞ্জা, ভেলৰ ভাজি, ভাতৰ খাৰ, ভাতকেৰেলা পিটিকা, ধুন্দুলি ভাজি, সৰু মাছৰ ভাজি, বাঁহ গাজৰ আচাৰ, গৰৈ মাছৰ পিটিকা।

টেঙা কচু — ৩০০ গ্ৰাম

গাহৰিৰ মাংস — ৫০০ গ্ৰাম

নহৰু —— ১০ কোঁহ

আদা —— ১ টুকুৰা

সৰিয়হ তেল —— ২ টেবুল চামুচ

হালধি —— ১ চামুচ

নিমখ —— ২ চামুচ।

প্ৰস্তুত প্ৰণালী :

গাহৰি মাংসখিনি পানীত সিজাই টুকি লৈ আদা, নহৰু থেতেলি লব। টেঙা কচু সিজাই বাকলি একৰাই লব। কেৰাহিত তেল গৰম কৰি আদা নহৰু দি ৰঙচুৰাকৈ ভাজিব। ৰঙচুৰা হলে মাংসখিনি দি সাত মিনিটমান ভাজি নিমখ, হালধি, কেঁচা জলকীয়া সিজাই থোৱা কচুখিনি দি দুই মিনিটমান ভাজি দুকাপ পানী দি বিছ মিনিটমান সময় উতলাই নমাই গৰমে গৰমে পৰিৱেশন কৰিব।

সুমন গগৈ

পঞ্চম ষাণ্মাসিক।




# কৌতুক

কৌতুক

কৌতুক





১. শিক্ষক : এজন পকেটমাৰে কালি মোৰ পকেট মাৰিলে। কোৱাচোন বিজয়, এই বাক্যত কৰ্ম কোনটো?

বিজয় : কৰ্ম কৰ্ত বিচাৰি পাম ছাৰ? এয়াতো গোটেইটোৱেই কুকৰ্ম।

২. পত্নী : মোৰ ৰন্ধা বৰা তোমাৰ কেনে লাগে?

পতি : খুব ভাল লাগে।

পত্নী : তেন্তে কোৱাচোন মোৰ কোনটো ডিশ্ব তোমাৰ সকলোতকৈ ভাল লাগে?

পতি : পাৰ্টকুটী আৰু মাখন

৩. এজন অটোৰিক্সা আৰোহীয়ে ভদ্ৰলোক এজনক ক'লে : আৰু আগলৈ যাব পৰা নাযাব ছাৰ। সন্মুখত বিৰাট পাঁত।

আৰোহী ভদ্ৰলোকে অন্যমনস্কভাৱে ক'লে : আৰে হৰ্ণ দিয়ানা আঁতৰি যাব।

পূজা কোঁৱৰ
স্নাতক প্ৰথম ষাণ্মাসিক

Scanned with OKEN Scanner



Scanned with OKEN Scanner